চান্দমামা

এপ্রিল ১৯৯০



বিটুৰ জন্মদিন।ৰসনাই ৰসনা।

গৰমৰ বতৰ মানেই ৰসনাৰ বতৰ।

আহিল গৰমৰ দিন ! আৰু আহিল ৰসনাৰ সময়। হ'মৱৰ্কৰ পাছত ৰসনা খাম দুবাৰ। খেলাৰ আগত এবাৰ।

বিটুৰ জন্মদিনৰ পাৰ্টিততো ৰসনাই ৰসনা ! আৰু ৰসনাৰ ভোজ পাতো সদায় দেওবাৰে কাকা আইতা আমাৰ ঘৰলৈ অহাৰ সময়ত।

অৰেঞ্জ □ পাইনএপেল □ লাইম □ শাহী গুলাব □ কালা খাট্টা □ কুল খচ □ কেশৰ এলাইচি □ মছলা ঢোদা (জল জীৰা) □ টুটি ফ্রুটি □ মেঙ্গো বাইল □ গ্ৰেপ গ্ৰীণ।

সজীৱতাপূৰ্ণ ৰসনা

11 টি আকৰ্ষণীয় সোৱাদ, আকৰ্ষণীয় দামত.

সদায় দেওবাৰে গধূলি 'আই লাভ পাপা এণ্ড ৰসনা'।

ককা আইতাৰ চেনেহৰ ৰসনা।

Mudra:A:EAMR:5159 Ass

তুমি হাতেৰে যেতিয়া
চাপৰি বজোৱা
আৰু ভৰিৰে খটখটোৱা
লগতে যেতিয়া আসন এৰি
উৰা মাৰিবলৈ বিচাৰা...

একমাত্ৰ ফানবাইট-এহে সেই ধেমালি সম্পূৰ্ন কৰে তেতিয়া।

কেম্পকোৰ ফানবাইট।
ক্ৰীম সদৃশ, মচমচীয়া চকলেট।
ভিতৰত খচখচীয়া ৱেফাৰ আৰু
বাহিৰত তৃপ্তিদায়ক চকলেট।
ৰং-ধেমালিৰ সময় কৰি তোলে
আনন্দমুখৰ

ভাৰতৰ সৰ্ববৃহৎ সৰ্বাধুনিক প্লাণ্টৰ অৱদান

কেম্পকো লিমিটেড, মাঙ্গালোৰ

Other Campco chocolates: Milk White Treat TURBO Eclairs megabite Playtime RUBIES TOFFEE Campco beverages: WINNER COCOA

R K SWAMY/CL/7804/AS

CHANDAMAMA
MAIL-A-TOY
SCHEME

A special offer for readers of Chandamama only.





A. WOBBIT:
Size : 13.5 inches (height)
Price: Rs. 83.00
Add : Rs. 4.80 General Sales Tax for orders placed within Tamil Nadu.
Rs. 8.30 Sales Tax for orders placed outside Tamil Nadu.

B. TEDDY:
Size : 10.5 inches (height)
Price: Rs. 93.00
Add : Rs. 5.35 General Sales Tax for orders placed within Tamil Nadu.
Rs. 9.30 Sales Tax for orders placed outside Tamil Nadu.

C. JUMBO:
Size : 7 inches (height)
Price: Rs. 68.00
Add : Rs. 3.90 General Sales Tax for orders placed within Tamil Nadu.
Rs. 6.80 Sales Tax for orders placed outside Tamil Nadu.

D. BOW WOW:
Size : 6 inches (height)
Price: Rs. 45.00
Add : Rs. 2.60 General Sales Tax for orders placed within Tamil Nadu.
Rs. 4.50 Sales Tax for orders placed outside Tamil Nadu.

E. FATHER HARE:
Size : 6 inches (height)
Price: Rs. 25.00
Add : Rs. 1.45 General Sales Tax for orders placed within Tamil Nadu.
Rs. 2.50 Sales Tax for orders placed outside Tamil Nadu.

Look out for Mama Hare and Baby Hare in our next offer to complete the Happy Hare Family.

Our way of saying you're very special to us is by making you an offer that's every bit as special. The chance of being the very first people to own a Cuddles toy. At a price that's — you guessed right — special! And there's still more you can save. On ordering any of the toys here, you automatically become eligible for discounts on subscription to Chandamama. Rs.6 off on 12 issues and Rs.15 off on 24 issues.



Dear Chandamama,

I have read about your MAIL-A-TOY scheme and have had a good look at the Cuddles range.

Please send me (tick one or more):

☐ Wobbit ☐ Teddy ☐ Father Hare ☐ Jumbo ☐ Bow Wow

I also understand that I can avail a special discount if I subscribe to Chandamama. I would like to subscribe to Chandamama for —

☐ One year (Rs.30 instead of Rs.36)

☐ Two years (Rs.57 instead of Rs.72)

☐ Sorry, I'm not interested in the subscription offer.

Enclosed please find a Postal Order/Money Order for Rs. .... drawn in favour of Chandamama Toytronix Pvt Ltd.

CHANDAMAMA MAIL-A-TOY SCHEME

Note : This offer is valid only up to 30-6-1990.

I look forward to receiving the toy(s) within a month. I understand that if I am not fully satisfied with the toy(s), I am entitled to a complete refund if I mail it/them back within a week of receiving it/them.

My name: .... Date of birth: ....

Mailing address: ....

....

What are my favourite:

Magazines/Comics : ....

TV Programmes : .... Toys ....

Pastimes : Reading/Toys/Games/TV/Video/Video games/Others : ....

CHANDAMAMA
MAIL-A-TOY
SCHEME

All you have to do is to fill the coupon alongside and mail it to us at Chandamama Toytronix Pvt Ltd, Chandamama Buildings, 188, N.S.K. Salai, Vadapalani, Madras 600 026. Within a month of our receiving your request, you will receive your Cuddles. Just in case you are not fully satisfied, we assure you a complete refund of the price if you mail the toy(s) back to us within a week.

NOTE:
Please specify the doll/dolls you would like to have by putting a tick-mark against the respective doll/dolls listed in the coupon. Also, write your address in full and specify the mode of payment i.e. whether you are remitting the price of the doll/dolls by Postal-Order or Money-Order. Please make sure that the exact price is paid. This is to avoid any difficulty in processing your orders. Those who have already sent their coupons without being specific on these points should write to us again separately, to enable us to send them the doll/dolls as soon as possible.

CHANDAMAMA COLLECTION

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea.

Chandamama Toytronix Private Limited,
Chandamama Buildings,
188, NSK Salai, Vadapalani, Madras - 600 026.

Mudra:M:CT:3789

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

সাহে সিদ্ধি

বিগত গণতন্ত্র-দিৱসত আমাৰ কিছুমান বাঘ-বুকুৱা বালক-বালিকাক সিঁহতৰ নিঃস্বাৰ্থ সাহস তথা শৌৰ্য্য প্ৰদৰ্শনৰ বাবে ৰাষ্ট্ৰীয়ভাবে পুৰস্কৃত কৰা হ'ল। এই বালক-বালিকা-সকলে নিজৰ প্ৰাণ আনক ৰক্ষা কৰিবলৈ উৎসৰ্গ কৰিছিল।

সমদলত লগ লাগি ধ্বনি দিয়া. সাহসী মতামত ব্যক্ত কৰা, প্ৰয়োজনৰ সময়ত কৰ্মপ্ৰবৃত্ত হোৱা ইত্যাদি বৰ কঠিন কাম নহয়।কিন্তু কোনো সুকঠিন কাম যদি অকলেই কৰিব লাগে, তেনেহ'লে প্ৰকৃততেই নিঃস্বাৰ্থ সাহসৰ প্ৰয়োজন হয়। বিশেষকৈ—আনক বিপদৰপৰা ৰক্ষা কৰিবলৈ মুহূৰ্ত্তমানৰ বাবেও নিজৰ কথা নিচিন্তি বিপদৰ মাজলৈ জঁপিয়াই পৰাৰ মনোবৃত্তি বৰ বেছি সংখ্যক মানুহৰ নাথাকে। আত্মপ্ৰাণৰ মমতালৈ ভ্ৰূক্ষেপ নকৰা বালক-বালিকাসকললৈ ৰাষ্ট্ৰীয় আদৰণিৰ লগে লগে আমিও অভিনন্দন জনাইছোঁ।

বছৰ : ১৫ এপ্ৰিল ১৯৯০ **সংখ্যা : ১**

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

A CHANDAMAMA PUBLICATION

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many



Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.





Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

পানামাত পতাল-গাজনি

পানামাৰ সৈনিক-শাসক জেনাৰেল অ্যান্ট'নিঅ' নোৰিয়েগাক তেওঁৰ পদৰপৰা বিচ্যুত কৰাৰ বাবে যোৱা বছৰৰ ২০ ডিছেমবাৰত আমেৰিকাই পানামাত আক্ৰমণ চলালে।

নিৰ্বাচনত পানামাৰ বিৰোধী দলৰ নেতা অ্যাণ্ডোৰা বিজয়ী হোৱা সত্বেও জেনাৰেল নোৰিয়েগাই বিজয়ী দলৰ হাতলৈ দেশৰ শাসন-ভাৰ সমৰ্পণ নকৰিব বুলি ঘোষণা কৰাতহে আমেৰিকাৰ এই আক্ৰমণ—আমেৰিকাৰ কৰ্তৃপক্ষই কৈছে।

নোৰিয়েগাৰ এই কাৰ্য্য নিশ্চয় অপৰাধ-জনক আৰু নিন্দনীয়; কিন্তু তথাপি আমেৰিকাৰ এই 'পৰদেশত পতাল-গাজনি'ক বিশ্বৰ বহু দেশেই সমৰ্থন কৰিব পৰা নাই।

বিগত ছ বছৰকাল ধৰি শাসনৰ নামত নোৰিগাই পানামাত যি সন্ত্ৰাস তথা অত্যাচাৰৰ ৰাজত্ব চলাইছিল, সেই কথা চিন্তা কৰি চালে নোৰিয়েগা নামৰ এই পোতা-পুখুৰীৰ ৰজাটিক আমেৰিকাই এনেকৈ পোতা-মোচৰা দিয়াটো কিমান অন্যায় হৈছে সেই কথা গভীৰভাবে ভাবিবলগীয়া।



মধ্য আমেৰিকাৰ সাতোখন দেশৰ মাজত আমেৰিকা যুক্তৰাষ্ট্ৰ এখন। গুৱাতেমালা, এল্ ছালভাদৰ, হণ্ডুৰাছ, নিকাৰাগুৱা, কোস্টাৰিকা আৰু বেলিজ হ'ল আন ছখন। উক্ত দেশসমূহেৰে আগুৰা, ২০ লাখ জনসংখ্যাৰ সেভজীয়া গছে-বনে ভৰপূৰ চিৰসুন্দৰ পানামাত চিৰ-অশান্তি! এই অশান্তিৰ একমাত্ৰ কাৰণ হ'ল ৰাজনৈতিক দ্বন্দ্ব। আৰু লগতে ড্ৰাগৰ নিচা সৰ্বনাশা। সমগ্ৰ পৃথিৱীয়ে ড্ৰাগৰ নিচাৰ কবলৰপৰা যুৱক-যুৱতীচামক ৰক্ষা কৰাৰ বাবে আগুৱাই আহিব লাগিব। পানামাৰ পতাল-গাজনীয়ে পদাপাল দেখুৱালেও আমাক এই কৰ্তব্যকো সোঁৱৰাই দিয়ে।

চান্দমামাৰ সম্বাদ

য'ত গাখীৰতে ম'হৰ খুটি ..

গাইপতি অৰ্জনৰ হিচাপ চালে পৃথিৱীখনত ছুইজাৰ্ল্যাণ্ডীয়সকলকে আটাইতকৈ আঢ্যৱন্ত বুলি ক'ব লাগিব। সম্প্ৰতে বিশ্ব-ব্যাংকে তেওঁলোকৰ প্ৰতিবেদনত এই তথ্য প্ৰকাশ কৰিছে।

পতাল-ফুটা!

ভুঁইকঁপৰ আগ জাননী ঘৰত শুই-বহি পাব পাৰিনে? লছ এঞ্জেলছৰ তিনিটি বন্ধুৱে মিলি এটি ক্ষুদ্ৰ যন্ত্ৰ সাজি উলিয়াইছে—যিটি যন্ত্ৰই ভুঁইকঁপৰ আগ-বতৰা কেইবামিনিটো আগতেই সুহুৰিয়াই জনাই দিব।

দেৱীৰ শাড়ী

হঠাৎ এদিন গোবৰ্ধনৰ চাকৰিটো নোহোৱা হ'ল। গোবৰ্ধনে এজন জহৰীৰ ওচৰত কাম কৰিছিল। জহৰী যমুনাপ্ৰসাদে কিয় যে তেওঁৰ ব্যৱসায় বন্ধ কৰিছিল, গোবৰ্ধনে একোটো ক'ব নোৱাৰে। পিছে—যমুনা-প্ৰসাদে গোবৰ্ধনক শুদা হাতে বিদায় কৰা নাছিল, এহেজাৰ টকা দিছিল আৰু কৈছিল, "গোবৰ্ধন, তুমি অতি সৎভাৱে ইমানদিন ধৰি ইমানদাৰিৰে আমাৰ কাম কৰিলা। এতিয়া, এইখিনি টকা দিছোঁ, নিজেই কিবাকিবি কাৰবাৰ কৰাগৈ।"

গাত বিহ পৰা যেন হৈ গোসাঁই এৰা দিয়া সময়ত গোবৰ্ধনে ঘৰ পাই পৰিবাৰ গোমতীক কাওঁবাওঁকৈ কথাটো কোৱাত গোমতীয়ে তাক সান্ত্বনাৰ সুৰতে ক'লে, "হোৱা কথা হৈ গ'ল, এইবোৰ কথা লৈ চিন্তা কৰি কোনো লাভ নাই। বেপাৰত ধৰিলে বেয়া নহ'ব।"

"বেপাৰ মানে—মই? কিনো কৰিম? কিহত ধৰিম?" বিভ্ৰান্ত গোবৰ্ধনে সুধিলে।

"এটা কাম কৰা। —তুমি সোমপুৰৰ-পৰা গুণাবছা বছা বছা শাড়ী কিনি আনাগৈ। মই সেইবোৰ শাড়ীত ফুল বাছি দিম। তুমি নগৰলৈ লৈ যাবা, নতুন ধৰণৰ শাড়ী দেখি নগৰীয়াই নিকিনাকৈ নাথাকে।" গোমতীয়ে ক'লে।

অগতিৰ গতি গোমতীৰ পতি গোবৰ্ধনে কেইদিনমানৰ পাছত এগাঁঠৰি শাড়ী কিনি আনিলেগৈ আৰু গোমতীয়ে প্ৰতিখন শাড়ীত ফুল-বছা কাম কৰি দিলে। আৰু এইখিনি দেখাত নতুনৰো নতুন হ'ল।

গোবৰ্ধনে ক'লে, "হেৰা—এই শাড়ীৰ

কুমুদ কলিতা



কিবা এটা নাম লাগে। নাম এটা হ'লেহে নগৰীয়াক পতিয়াব পাৰি।" দুয়ো মিলি কেইবাটাও নাম ক'লে: কিন্তু এটাও পছন্দ নহ'ল। তেতিয়া গোমতীয়ে ক'লে, "ঠিক আছে, শাড়ীৰ নামকৰণ পাছত হ'ব, আজি এনেয়ে লৈ যোৱা।"

বহুতো নগৰীয়াই এই শাড়ীবোৰ ঘূৰাই-ফিৰাই দেখিলে, কিন্তু কোনেও নিকিনিলে। বহুতেই ক'লে যে—এনেকুৱা নতুন ধৰণৰ শাড়ী তেওঁলোকে কাহানিও দেখা নাই, আৰু নেদেখা বস্তু কিনা আৰু পইছা পানীত পেলোৱা হেনো এক।

শুনি গোৱৰ্ধন ভেবা লাগিল, আৰু পুনৰ কাপোৰৰ গাঁঠৰিটো গো-বৰনে বৈ বৈ ঘৰমুৱা হ'ল।

গৈ গৈ ভাগৰি পৰি গাঁও পোৱাৰ আগতে এজোপা আহঁতৰ তলত গোৱৰ্ধন ৰ'ল আৰু তাত জিৰণি ল'বৰ মনেৰে বহিল। তেতিয়া সাঁজ লাগি ভাগিছিলহে মাত্ৰ। গাঁৱৰ, বাট-পথো নিজম পৰি আহিছিল, ক'তো কোনো ৰাই-কুই নাছিল। আহঁত জোপাৰ নিচেই কাষতে আছিল এটা মন্দিৰ। গোৱৰ্ধন আহঁতৰ তলৰপৰা উঠি মন্দিৰৰ পিৰালিত বহিলগৈ। কিছু সময়ৰ পাছত মন্দিৰৰপৰা যেতিয়া পুনৰ ঘৰলৈ বুলি খোজ ল'বলৈ গোৱৰ্ধন উঠি থিয় হ'ল, তেতিয়া এগৰাকী নাৰীকণ্ঠই কৈ উঠিল, "গোৱৰ্ধন, তোমাৰ শাড়ীখিনি অলপ চাওঁনে?"

আৰু কোৱাৰ লগে লগেই দেৱী গোসাঁনীয়ে প্ৰত্যক্ষভাৱে গোৱৰ্ধনক দেখা দি তাৰ চকুৰ আগ থিয় দিলে।

তভক খোৱা গোবৰ্ধনে নিজক চম্ভালি লৈ নম্ৰতাৰে দেৱী গোসাঁনীক ক'লে, "আই, মই এইখিনি বেচিবলৈ নগৰলৈ লৈ গৈছিলোঁ। কিন্তু—এখনো নিবিকিল।"

গোৱৰ্ধনে শাড়ীৰ গাঁঠৰি খুলি এখন এখনকৈ শাড়ী-কাপোৰ দেখুৱালে দেৱীক। দেৱীয়ে গোৱৰ্ধনক ক'লে, "শুনা, তোমাৰ

এই শাড়ীকাপোৰখিনি দেখাত সঁচাকৈ ধুনীয়াৰো ধুনীয়া। আৰু — ফুল আৰু গুণাৰ কাম তুলনা নাই।" দেৱীয়ে তেওঁৰ পিন্ধনত থকা শাড়ীৰ আঁচল গোৱৰ্ধনক দেখুৱাই ক'লে, "এয়া চোৱাঁ, পূজাৰীয়ে মোক কেনেকুৱা শাড়ী পিন্ধালে। মোক সদায় এনেকুৱা বেয়াতকৈ শাড়ী পূজাৰীয়ে পিন্ধায়। আমাৰ ভক্তইতৰ কলিজাও বৰ ঠেক। তোমাৰ শাড়ী-কাপোৰখিনি দেখি মোৰ মনত বৰ আনন্দ হৈছে।"

"আই, এনেকৈ কৈ মোক আৰু লাজত নেপেলাব। ভক্তসৱে আপোনাক ঢেৰ শাড়ী-কাপোৰ নিদিয়ে জানো?"

"দিয়ে, নিদিয়া নহয়। আৰু কিছুমান ভক্তই মোটামুট ভালেই দিয়ে। কিন্তু কথা হ'ল--পূজাৰীৰ দন্দুৰী পত্নীয়ে ভাল শাড়ীখিনি নিজৰ কাৰণে ৰাখি থৈ মোক এইবোৰ ফটা-ছিঙা-ফিচিকাবোৰ দিয়ে। পূজাৰীৰ এই পত্নীজনী হ'ল মন্দিৰৰ গৰাকী ভুৱন জমিদাৰ ভাগিনীয়েৰনে কিবা যেন। ভুৱন জমিদাৰে মন্দিৰৰ ভল-বেয়া চোৱা-চিঁতাৰ ভাৰ এই পূজাৰীৰ ওচৰত জাপি দি নাকত তেল দি থাকে, আৰু পূজাৰীয়ে থেঁতেলা কোবায়।" দেৱীয়ে ক'লে।

গোৱৰ্ধনে দেৱীক সাষ্টাংগে প্ৰণাম কৰিলে আৰু ক'লে. "আই, আপুনি কৃপা কৰি মোৰ এই শাড়ীখিনি লয় যদি—





আমি নিজক ভাগ্যৱান বুলি ভাবিম।" এই বুলি কৈ শাড়ীৰ গাঁঠৰিটো তাতে থৈ, গোৱৰ্ধনে ঘৰলৈ বুলি খোজ বঢ়ালে।

"শুনা, ৰ'বা।" দেৱীয়ে গোৱৰ্ধনক ৰখাই ক'লে, "তুমি শাড়ীখিনি দাম নল'বানে কি? দাম ল'বলৈ পাহৰিলাই কিজানি। যি কি নহওক—এটা কাম কৰিবা, কালিলৈ পুৱা তুমি মন্দিৰৰ গৰাকী ভুৱন জমিদাৰক ক'বাগৈ যে—দেৱীয়ে মোৰপৰা দুহেজাৰ টকাৰ শাড়ী কিনিলে, আৰু পইচাখিনি তোমাক দেৱী-গোসাঁনীয়ে দিবলৈ ক'লে।

তাৰ পাছত গোৱৰ্ধন খৰলৈ উভতি গ'ল। গৈ—সকলো কথা গোমতীক সবিস্তাৰে ক'লে। শুনি গোমতীৰ মনত আনন্দৰ পাৰ-কূল নথকা হ'ল। সিহঁতহালে ৰাতি উজাগৰেই কটাই দিলে।

আৰু একেবাৰে বোৱাৰী-চিকুণ পুৱাতে গোৱৰ্ধন ভুৱন জমিদাৰৰ ঘৰ পালেগৈ।

গোৱৰ্ধনৰপৰা দেৱীয়ে শাড়ী কিনাৰ কথা শুনি ভেবা লগা ভুৱন জমিদাৰে ভেকাহি মাৰি কৈ উঠিল, "তুমি বাৰু—বলিয়ানে পেটচলা? দেৱীয়েনো তোমাৰ-পৰা শাড়ী কিনিব পাৰেনে? এনেবোৰ নাশুনা-নাভূত কথাৰে তেভূত কৰিবৰ আৰু ঠাই নাপালা? যি ক'লা—ক'লা, এতিয়া ইয়াৰপৰা—ব'লা।"

গোৱৰ্ধনে মিচিকীয়াই হাঁহি মাৰি ক'লে, "ডাঙৰীয়া, আপোনাৰ মন্দিৰৰ পূজাৰীয়ে দেৱীক নিদিলেনো দেৱীয়ে কৰিব কি? কলিযুগত দেৱীৰো দুৰ্দশা নিজ চকুৰে চাই আহকগৈ যাওক।"

ভুৱন জমিদাৰ তেতিয়াই পূজাৰীৰ তালৈ ওলাল, আৰু গোৱৰ্ধনো গ'ল।

পূজাৰী তেতিয়াও শুই আছিল। জমিদাৰৰ মাত শুনি শোৱাৰপৰা ধহমহাই উঠি বহিল। ভুৱন জমিদাৰে পূজাৰীক ক'লে, "হেৰাহে, দেৱীয়ে বোলে কালি গধূলিতে এওঁৰপৰা এগাঁঠৰি শাড়ী কিনিলে

এহেজাৰ টকাৰে। কথাটোৰ তলা-নলা তুমি জানানে কিবা ?”

“কি! দেৱীয়ে কিনিলে শাড়ী! দেৱী কিবা—কোনোবা ঘৰৰ তিৰোতানে কি? ই নিশ্চয় এটা প্ৰতাৰক দগাবাজ বা পাগল হ'ব। ইয়াক খেদক।” পূজাৰীয়ে জমিদাৰক ক'লে।

“খেদিম। পিছে—আগতে দেৱী গোসাঁনীৰ ঘৰত চাম যে তাত সঁচাকৈয়েই কিবাকিবি আছেনে কি। তুমি দেৱীৰ কোঠাৰ দুৱাৰ খোলা।” ভুৱন জমিদাৰে পূজাৰীক ক'লে।

পূজাৰীয়ে মন্দিৰৰ ঘাই দুৱাৰ খুলি দিলে আৰু লগে লগে তাত উপস্থিত থকা ভক্তসৱে আৰু ভেৰা লগা ভুৱন জমিদাৰেও ঢেলুক চকুৰে দেখা পালে—দেৱীৰ চৰণৰ ওচৰত এগাঁঠৰি সুদৃশ্য শাড়ী কিন্তু দেৱীৰ পিন্ধনত ফটা-ফিচিকা শাড়ী!

ভুৱন জমিদাৰে পূজাৰীক সুধিলে যে কালি তেওঁ স্বহস্তে পঠোৱা পাটৰ শাড়ীখন কিয় দেৱীক পিন্ধোৱা নাই।

জমিদাৰৰ কথাৰ সঠিক উত্তৰ দিব নোৱাৰি পূজাৰী তলমূৰ হ'ল। আৰু তেতিয়া গোৱৰ্ধনে শাড়ী-লুভীয়া পূজাৰীৰ ঘৈণীয়েকৰ কথা জমিদাৰ ডাঙৰীয়াক বুজাই ক'লে যে — পূজাৰীৰ পত্নীয়ে কেনেকৈ দেৱী-গোসাঁনীলৈ ভক্তসৱে দিয়া কাপোৰ নিজৰ কাৰণে ৰাখি থয়।

ভুৱন জমিদাৰে ভেবাচেকা খাই গোৱৰ্ধনক টকা দুহেজাৰ দি বিদায় কৰিলে আৰু পূজাৰীকো সিদিনাৰেপৰাই এই পুৰোহিতালিৰপৰা ৰেহাই দিলে।

দেৱীৰ শাড়ীৰ কাহিনী চাওঁতে চাওঁতে দহোখন গাঁৱতে বায়ুবেগে প্ৰচাৰিত হৈ পৰিল, আৰু গোৱৰ্ধন ঘৰলৈ দেৱীৰ শাড়ী বিচাৰি গঞা ৰাইজৰ দলে-বলে আহি থাকিল আৰু ৰাইজেই এই শাড়ীৰ নাম ৰাখিলে ‘দেৱীৰ শাড়ী’।



ভুল-ফুলা ফুল

নানান ওজ-বাজ্ব কিনাৰ বাবে মুকুন্দ দোকানলৈ গ'ল। দোকানত তেতিয়া ঢেৰ ক্ৰেতা। মুকুন্দ থিৰে-জুৰে থিয় হৈ থাকিল। যেতিয়া আন কোনো ক্ৰেতা তাত নথকা হ'ল, তেতিয়া মুকুন্দই দোকানীক তাৰ বয়-বস্তুৰ তালিকা এখন দিলে। আৰু বস্তুখিনি দোকানীয়ে জুখি-মাখি দিয়াৰ অন্তত মুকুন্দই বস্তুৰ দাম দিলে। দোকানীয়ে নিজৰখিনি ৰাখি বাকী টকা মুকুন্দই ঘূৰাই দিলে।

দোকানীয়ে ভুলতে দহা টকা বেছিকৈ দিয়াত মুকুন্দই দোকানীক ক'লে, "এয়া লওক, আপুনি দহ টকা বেছিকৈ দিলে। টকা-পইচা দিয়া-নিয়াত আৰু সাৱধান হ'ব লাগে।" এই কথা কৈ মুকুন্দই গুচি যাবলৈ খোজ ল'লে।

দোকানীয়ে হাত দাঙি মুকুন্দক ৰখালে আৰু ক'লে, "প্ৰথম ভুল —তুমিয়েই কৰিলা। তুমি মোক তুখন এশটকীয়া দিলা। টকা দিবা লেখি, টকা ল'বা জুখি! মই তোমাক পৰীক্ষাহে কৰি চালোঁ দহ টকীয়া এখন বেছিকৈ দি। তুমি এই দহ টকা মোক ঘূৰাই নিদিয়াহেঁতেন মই কদাপি তোমাৰ এশটকীয়াখনৰ কথাও তোমাক নক'লোহেঁতেন। তোমাৰ সততাৰ মই শলাগ লৈছোঁ আৰু তোমাৰ জীৱনৰ প্ৰথম ভুলেই অৰ্থৰ অৰ্থশিক্ষাৰ প্ৰথম ফুল হৈ ফুলি উঠক—মই তোমাক আন্তৰিকভাৱে এই আশীৰ্বাদ কৰিছোঁ।



দস্যু যুৱৰাজ

৬

উকলিপুঙা চুলুংবুধীয়া বীৰাজপা বীৰসিংহই শান্তিপুৰ ৰাজ্য অধিকাৰ কৰি ল'লে; কিন্তু ৰজা শান্তিদেৱক বিত বিতকৈ বিচাৰিও উলিয়াব নোৱাৰিলে। মহাৰাজ শান্তিদেৱৰ বৃদ্ধ মন্ত্ৰীয়ে বীৰসিংহক ৰজা বুলি মানিবলৈ আওপাকে অস্বীকাৰ কৰাত বীৰসিংহই বৃদ্ধ মন্ত্ৰীক হত্যা কৰিবলৈ ধৰোঁতে এজন অচিনাকি বৃদ্ধ মন্ত্ৰী আৰু ঘাতকৰ মাজত জপিয়াই পৰি মুখাপিন্ধা বৃদ্ধ মন্ত্ৰীক মহাৰাণীৰ পিতৃৰ ৰাজ্য অমৃতপুৰীলৈ গ'ল। তাৰ পাছত···

পাছদিনা প্ৰভাতবেলিকা 'ৰজা' বীৰসিংহ ৰাজ-উদ্যানত মহাৰাজ শান্তিদেৱৰ অনুকৰণ কৰি ফুৰি আছিল। কিন্তু অনুকৰণ কৰিলেই যেনেকৈ কাউৰী ময়ূৰ হৈ নুঠে, বা বান্দৰ এটা মানুহ হৈ নুঠে, তেনেকৈ গৰুৰাগলা বীৰসিংহও ৰজাৰ আও-ভাও দিয়া সত্ত্বেও ৰজা হৈ উঠিব নোৱাৰিলে। কিয়নো — মহাৰাজ শান্তিদেৱ কেৱল নামতেই নহয়, কামতো শান্ত। কিন্তু সদা সন্দেহবাদী ধূৰ্ত বীৰসিংহ 'ৰজা' হোৱা সত্ত্বেও মনে-চিতে আছিল এক অশান্ত সন্দেহবাদী। এই প্ৰভাত সৌন্দৰ্য্য কেনেকৈনো সি উপভোগ কৰিব? যি বান্দৰৰ সাত পুৰুষে ডাল কোবাই খায়, সি চালিধৰা ৰজাৰ বুলন দিলেই ৰজা নহয়, তৰচেঙেলো বীৰাজপা বীৰসিংহৰ

অৱস্থাও হ'ল তেনেকুৱা।

তথাপি, ইমান কাল ধৰি দেখি অহা মহাৰাজ শান্তিদেৱৰ অনুকৰণ কৰি বান্দৰ বীৰসিংহই উদ্যানত দুশ্চিন্তিত মনেৰে এটা প্ৰহৰীৰ দৰে টহলি থাকোঁতে তাত কতোৱালৰ ঘাইটো আহিল, আৰু তেতিয়া বীৰসিংহই ৰজা হিচাপে নিজৰ মূৰ ভিলিকোৱাৰ সুযোগটি পাই বিৰাট গম্ভীৰ হৈ কতোৱাললৈ কেঁৰাকৈ চালে।

কতোৱালে ককবকাই ক'লে, “পৰ্‌ভু ম—ম—ম্মহাৰাজ!”

“কোৱা।”

“পৰ্‌ভু, হ'ব নলগীয়া কথা এটা কেনেবাকৈ কেনিবাদ হৈ গ'ল।”

“কথানো কি? তুৰন্তে খুলি-মেলি কোৱা।” বীৰসিংহই বৰ কতোৱালক ডাবি মাৰি ক'লে।

কতোৱালে চাৰিওফালে ভালকৈ চাই ল'লে আৰু পাছত প্ৰায় শুনা-নুশুনাকৈ বীৰসিংহক ক'লে, “সেই যে আমাৰ বুঢ়া মন্ত্ৰী—চিপাহীৰ চকুত বালি মাৰিল, আৰু যে আমাৰ মুঠিৰ- পৰা সৰকিল।”

“কী—ঈ!” বীৰসিংহ বগিয়াকুকুৰৰ দৰে ঘেং কৰি উঠিল, “সেই হাৰামৰ নেগুৰ বুঢ়া মন্ত্ৰিবীটো পলাই সাৰিল! কিন্তু তহঁত নেগুৰকটাহঁত মোৰ মুঠিৰপৰা পলাই ক'ত সাৰ চাম নহয়? নেওচা-কেওঁচা নেচাওঁ তহঁতৰ মুখ! সেই চিপাহী-কেইটাক তুৰন্তে মাতি আনগৈ যা।”

“পৰ্‌ভু দৌতা ঈশ্বৰ! সিহঁতৰ আটাই-কেটাৰে যে মৰণ মিলিল!” কতোৱালে ককবকাই ক'লে।

“চেঃ! চেঃ! একেবাৰে খাই ভুঁহুৰা কেটামানক লগাইছিলি সেই বুঢ়াকসিপাৰ পোৱাবলৈ। এটা বুঢ়াইনো তিনিটাক ভুঁহত হগা বোন্দাহেন কৰিছিল কেনেকৈ? নিশ্চয় এই কল্পনাৰো বাহিৰৰ ঘটনাৰ আঁৰত কিবা ৰহস্য থাকিব পায়।”

বীৰসিংহৰ কথাৰ উত্তৰত কতোৱালে

ক'লে, "পৰভুৰ ঠিকেই কৈছে, আমাৰ সেই তিনিটা চিপাহী আছিল একেবাৰে— যাক বোলে সাইধাত যমৰ টেকেলা। কিন্তু সিহঁতকেইটাকো যমৰ আলহী কৰিব পৰা বিধৰ কোনোবা এটা নিশ্চয় তাত ওলাইছিল।"

"কোননো আছিল সেইটো? সঠিককৈ কোৱা।" বীৰসিংহই সিংহৰদৰে গৰ্জি উঠিল।

"এই কথাৰ ভু ল'বলৈ মই চৰিয়া মেলিছোঁৱেই মহাৰাজ।" কাছুটি এৰা কতোৱালে ক'লে।

বীৰসিংহ সামান্য সময়ৰ বাবে মনে মনে থাকিল। তাৰ পাছত গহীন মাতেৰে ক'লে, "কথাত বোলে—থকা জুই বাৰ বাৰ, নথকা জুই একবাৰ। বিপদ আহিলেই যদি থৰ-কাচুটি এৰিব লাগে—তেনেহ'লে তেনেবোৰ চিপাহী চন্তৰী থকা-নথকা সমান কথা। এনেবোৰ অকামিলাক গৰু পোহাদি পুহি থাকি লাভ নাই। আৰু—এহঁতৰেপৰাই কেতিয়াবা আমাৰো বিপদ হ'ব। এই—এই ঘটনা কিন্তু আমাৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ প্ৰথম চাপো হ'ব পাৰে। গতিকে—ষড়যন্ত্ৰীহঁতক পুলিয়ে-পোথাই উভালি পেলোৱাটোহে আমাৰ এতিয়াৰ ঘাই কাম। বাৰু, সেই যে—শান্তিদেৱৰ বিষয়ে কোনোবা এটা যুৱকে আমাৰ নেগুৰকটা চিপাহীবিলাকক কিবা-কিবি সোধ-পোছ কৰিছিল যে—সিনো আছে ক'ত? সি-ও এটা বিৰাট ষড়যন্ত্ৰকাৰী হ'ব পাৰে।"

"পৰভু সেই যুৱকৰ নাম হ'ল বসন্ত। কিন্তু তাক ষড়যন্ত্ৰকাৰী যেন নালাগে। যদিও আপোনাক ৰজা হিচাপে মানি ল'বলৈকো সি টান পাইছিল যে—সেই কথা সঁচাকৈয়ে সঁচা।" কতোৱালে কৰ্কশাই কৈ উঠিল।

"শুনা, এইবোৰ পং কথা শুনি ৰং চাই থাকিবৰ সময় মোৰ নাই। সি যদি

ষড়যন্ত্ৰী নহয়েই — মোক ৰজা বুলি মানিবলৈ তাৰনো কলিজাত কিয় লাগিল? তাক দগৰ পিটা দিলেহে সঁচা কথাৰ সঁচ ওলাব।"

"পৰ্‌ভু তাক আমি বাঘ-ভালুকা নেদেখুৱাকৈ বা তাৰ পিঠিত বাবৰি ফুল নবছাকৈ থকা নাই। কিন্তু আমিও যেন বাৰেৰে সিও তেন তেৰেৰে যেন পাওঁ।" কতোৱালে বীৰসিংহৰ আগত কাতি হৈ পৰা দি ক'লে।

"তেনেহ'লে তাকো সেই যমৰ দখিণ দুৱাৰ পোওৱাহে কথা। তাকে কৰা। তাক ৰাজআলিয়েদি টানি-চোঁচোৰাই বধ্যভূমিলৈ লৈ যোৱা, তাক ৰাজধনীয়াইঁতে চাওক—ৰজাৰ বিৰুদ্ধে মাত মতাৰ কেনে পৰিণাম! তাৰ মজা পাওক। তাৰ পাছত তাক প্ৰকাশ্য ঠাইত ফাঁচিৰ জৰীত ওলোমাই দিয়া। বচ্‌, হৈ যাব।" বীৰাজপা বীৰসিংহই আদেশ দিলে।

কতোৱালে 'ৰাজাজ্ঞা' শিৰোধাৰ্য্য কৰি খোজ ল'লে, আৰু বীৰসিংহই পুনৰ কতোৱালক ক'লে, "বসন্ত নামৰ বিহ গুটিটোক যে ৰজাৰ কথাত মাত মতাৰ কাৰণে ফাঁচিৰ জৰীত ওলোমোৱা হ'ব—সেই কথা সকলোতে আগতীয়াকৈ প্ৰচাৰ কৰিবা। বচ্‌, ফুটা এতিয়া।"

বীৰসিংহৰ আদেশ মতে বসন্তৰ ফাঁচিৰ কথা আগদিনা প্ৰচাৰ কৰি পাছদিনা

বসন্তৰ হাত পিঠিৰ ফালে কটকটীয়াকৈ বান্ধি—আগে আগে কতোৱাল, পিছে পিছে চিপাহীৰ দল—শোভাযাত্রা কৰি বধ্যভূমিলৈ গৈ থাকিল।

আৰু এই কতোৱালে ভালৰো ভাল ঘোঁৰাত উঠি, ৰঙচঙীয়া সাজ-পাৰ পিন্ধি, তৰোৱাল দাঙি ধৰি আগে আগে চিঞৰি চিঞৰি কৈ কৈ গৈ আছিল : "হঠ্ যাও—দূৰ হঠো!"

কিন্তু ক'ৰপৰা কোনে কিয় যে 'হঠিব' বাটেদি গৈ থকা সামান্য সংখ্যক বাটৰুৱাই বুজি নোপোৱা হ'ল। পিছে—ৰজাৰ কতোৱালো ৰাইজৰ চকুত 'প্ৰায় ৰজা'য়েই। গতিকে যি দুই-চাৰি বাটেদি গৈ আছিল, সিহঁতেও ফেটীৰ মূৰ ছিঙা লৰ লগালে।

তথাপি ৰংচঙীয়া সাজ-পাৰ পিন্ধা কতোৱালে নিজক জাহিৰ কৰিবলৈ "হঠ্ যাও—দূৰ হঠো" বুলি মৰ-চিঞৰ মাৰিয়েই থাকিল। এঠাইত—দূৰৰেপৰাই কতোৱালে দেখা পাইছিল যে ভালেমান মানুহ বাটৰ কাষত ৰৈ আছে। তেতিয়া কতোৱালে গগনফলা চিঞৰেৰে "হঠ্ যাও, ভাগ্ যাও" বুলি কৈ কৈ আগ বাঢ়ি থাকিল। কিন্তু সেই জনতাৰ কাষ পাওঁতে-নোপাওঁতেই হঠাৎ ডাঠ কুঁৱলীয়ে ঠাইডোখৰ তথা জনতাক নেদেখা কৰি পেলোৱাত কতোৱালে কামৰি কঢ়া দিলে।

আৰু ঠিক সেই মুহূৰ্ততে কতোৱালক

কোনোবাই তাৰ ঘোঁৰাৰ পিঠিৰপৰা তললৈ বগৰাই পেলালে। কতোৱাল ওপৰমুৱা হৈ পৰিল আৰু ছটফটাই থাকিল।

আৰু চকুৰ পচাৰ নৌ পৰোঁতে 'ৰজা' বীৰসিংহৰ সশস্ত্ৰ চিপাহীৰ সোঁমাজত গৈ থকা বন্দী বসন্তৰ হাতৰ বান্ধনো মুখা পিন্ধা কোনোবা এজন বীৰ যোদ্ধাই তৰোৱালেৰে ঘপিয়াই কাটি পেলাই বসন্তক ক'লে, "এক মুহূৰ্তও পলম নকৰিবা, মোৰ ঘোঁৰাত জঁাপ মাৰি উঠি আহঁা।" মুখা পিন্ধা যুঁজাৰুৱে কাঁড়ৰ গতিৰে ঘোঁৰা চেকুৰাই বসন্তক লৈ তাৰপৰা মুহূৰ্ততে নোহোৱা হৈ গ'ল।

ইতিমধ্যে চিত ভোলোঙা খাই আধা সাৰে আধা-নিসাৰে ওপৰমুৱা হৈ পৰি থকা কতোৱালৰ মুখত এটা ঢোঁৰা কাউৰীয়ে হাগি দিলে, আৰু তেতিয়াহে ভেবাচেকা খোৱা বীৰসিংহৰ বীৰ চিপাহীইঁতে কতোৱালৰ মুখৰপৰা যত্নেৰে কাউৰীৰ গু গুচাই কথমপি তাক থিয় কৰালে।

"কোনটো সিয়নিত শোৱাইনো মোক ঘোঁৰাৰ পিঠিৰপৰা বগৰাই পেলাইছিল? মোৰ ঘোঁৰাটো এতিয়া ক'ত আছে?" কতোৱালে কৰ্কাই সুধিলে।

"ঘোঁৰাটো পলাল।" চিপাহী এটাই ক'লে। এটা চিপাহীয়ে কতোৱালক ক'লে।

"পলা—ল! ঘোঁ—ৰা!" কেঁচা কিল খোৱা কতোৱালে কৰ্কাই কৈ উঠিল।

"আৰু সেই বসন্ত বোলা ফাটকিয়ালটোও ফুটফাট নোহোৱা হ'ল," আন এটা চিপাহীয়ে কামৰি কঢ়া কতোৱালক ক'লে।

"কি—ঈ—ঈ!" ঢেলুক চকুৰে ঘঁৰিয়াল চাৱনে চাই কতোৱালে ক'লে, "এইবাৰ দেখোন তাৰ সলনি বীৰসিং সেনাপতিয়ে আমাকহে ফাঁচিৰ জৰীত ওলোমাই দিব। —এতিয়া দেখিছোঁ সামলা শিঙত 'মূৰ মুমুৰালোঁ। বোলোঁ ঐ—তহঁত থিয়ৈ থিয়ৈ কি মজা চাৱ, য'ৰেপৰা যেনেকৈ পাৰ

ফুটকিলাই বসন্ত বোলা বিহগুটটোক ধৰি আন—নহ'লে আমি সোপাই নিগমে মৰিম।"

এই বুলি কৈ কতোৱালে নিজৰ বুকুতে ঢৰা চাপৰ এটা মাৰিলে।

ইপিনে—তীৰ গতিৰে ঘোঁৰা চেকুৰাই সেই মুখাপিন্ধা বীৰ ৰণুৱাই এডৰা অটব্য অৰণ্যৰ সোঁমাজত পাই জঁাপ মাৰি ঘোঁৰাৰপৰা নামিল আৰু লগে লগে বসন্তও নামি পৰিল।

"আপুনি সঠিক সময়ত গৈ নোপোৱা-হেঁতেন এতিয়া মই নিশ্চয় আৰু জীয়াই নাথাকিলেহেঁতেন।"

বসন্তই হাত যোৰ কৰি নমস্কাৰ কৰি মুখাপিন্ধা ৰণুৱাৰ আগত তাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে।

"চা—ব্বাইচ্ সাহিয়াল বসন্ত!" মুখা পিন্ধা যুঁজাৰুৱে কৈ উঠিল, "সলি সিয়ান বীৰসিংহৰ এই ষড়যন্ত্ৰক ধ্বংস কৰিব লাগিব, আৰু তাৰ কাৰণে তোমাৰ দৰে বাঘ-বুকুৰা সাহসী যুৱকৰ সহায়ো আমাক লাগিব। তোমালৈ মই অভিনন্দন জ্ঞাপন কৰিছোঁ।"

এই বুলি কৈ, সেই বিৰাট গুহাৰ ভিতৰলৈ সোমাই কিছুখিনি ফল আনি মুখাপিন্ধা যুঁজাৰুৱে বসন্তক খাবলৈ দিলে আৰু বসন্তকো অমৃতপুৰী ৰাজ্যলৈ যোৱাৰ বাট-পথ সবিস্তাৰে বুজাই দিয়াৰ অন্তত ক'লে, "এই নগৰৰ একেবাৰে পশ্চিম সীমাত থকা মহাকালীৰ মন্দিৰ দেখা পাবা। মোৰ অন্য এটা বিশেষ কাম আছে। সেই কামটি সামৰি মই এই মহাকালীৰ মন্দিৰ পামহি। তাতে আমাৰ পুনৰ দেখাদেখি হ'ব। তুমি সাৱধানতাৰে এই অৰণ্যৰ আঁৰ লৈ মহাকালীৰ মন্দিৰলৈ গৈ থাকা।" এই বুলি কৈয়েই সেই মুখাপিন্ধা যোদ্ধা পুনৰ জঁাপ মাৰি ঘোঁৰাত উঠি তাৰপৰা বেগাই গুচি গ'ল। [আগলৈ

ঐতিহ্য

প্ৰতিজ্ঞাবদ্ধ
ৰজা বিক্ৰমাদিত্য
পুনৰ সেই বিশেষ
গছজোপাৰ ওচৰলৈ উভতি
গ'ল আৰু গছৰ ডালত ওলমি
থকা শ'টো নমাই আনি কান্ধত পেলাই
লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ
থাকিল। তেতিয়া শ-ৰ মাজত থকা
বেতালে কৈ উঠিল, "হে ৰাজন্, তোমাৰ
নিজ ৰাজ্য যদিহে আন কাৰোবাৰ হাতত
সঁপি কোনো বিশেষ মংগল সাধিবলৈ
যুগ যুগ ধৰি নিশাচৰ দৰে শ্মশানচাৰী
হৈ ফুৰিছা, তেনেহ'লে ৰজা নন্দীবৰ্ধনৰ
কাহিনী শুনি সেই কাহিনীৰ সাৰমৰ্ম-
পৰা তুমি শিক্ষা গ্ৰহণ কৰা।" এইবুলি
কৈ, বেতালে ৰজা বিক্ৰমাদিত্যক ৰজা
নন্দীবৰ্ধনৰ কাহিনী ক'বলৈ ধৰিলে:

'বেতাল-কথা'



নন্দীবৰ্ধনৰ ৰাজ্যাভিষেক হোৱাৰ সামান্য কিছুদিনৰ অন্তত মহাৰাজ ধৰ্মচন্দ্ৰ স্বৰ্গী হ'ল আৰু তেতিয়াৰপৰা ৰজা নন্দীবৰ্ধন প্ৰজাৰ সেৱালৈ মন-প্ৰাণ সমৰ্পিলে।

কিছুদিনৰ পাছত এদিন ৰজা নন্দীবৰ্ধনক লগ কৰিবলৈ যুৱক এজন আহিল! যুৱকে ৰজা নন্দীবৰ্ধনক ক'লে, "মহাৰাজ, মোৰ নাম বিশ্বকৰ্ম। মই ছদ্মবেশ ধাৰণ কৰাত নৈপুণ্য আৰ্জিছোঁ। মোৰ নৈপুণ্যৰ পৰীক্ষা লৈ আপোনাৰ অধীনত যিকোনো ধৰণৰ কাম এটা দিলে কৃতাৰ্থ মানিম।"

ছদ্মবেশৰ পটুতা সম্পৰ্কে পৰীক্ষা ল'বলৈ ৰজা নন্দীবৰ্ধন সন্মত হোৱাত প্ৰথমতে বিশ্বকৰ্মই চুবুৰীয়া ৰাজ্যৰ ৰজা সিংহপভূতিৰ বেশ ধাৰণ কৰি আহিল, তাৰ পাছত মণিমেখলা ৰাজ্যৰ সেনাপতিৰ আৰু সৰ্বশেষত মণিমেখলাৰ মহামন্ত্ৰী সুবুদ্ধিৰ বেশ ধাৰণ কৰিলে। কেৱল ছদ্মবেশেই নহয়, এওঁলোকৰ কহন-বহণ, চলন-ফিৰণ, আদব-কায়দা, খোজ-কাটল, ভাব-ভংগীও ইমানেই নিখুঁতকৈ প্ৰদৰ্শন কৰিলে যে ৰজা নন্দীবৰ্ধনৰ আদেশক্ৰমে বিশ্বকৰ্মই স্বয়ং নন্দীবৰ্ধনৰ ছদ্মবেশ ধাৰণ কৰিলে আৰু তেওঁৰ মাত-বোল, গতি-বিধি একেবাৰে হুবহু প্ৰদৰ্শন কৰিলে।

ৰজা নন্দীবৰ্ধনে বিশ্বকৰ্মলৈ অভিনন্দন

মহাৰাজ ধৰ্মচন্দ্ৰ আছিল মণিমেখলা ৰাজ্যৰ ধাৰ্মিক ৰজা। তেওঁৰ সুশাসনত— প্ৰজা আছিল সুখী আৰু নিৰাপদ। মহাৰাজ ধৰ্মচন্দ্ৰ যেতিয়া যথেষ্ট বৃদ্ধ হ'ল, তেতিয়া তেওঁ তেওঁৰ একমাত্ৰ পুত্ৰ নন্দীবৰ্ধনক ৰাজ্যৰ শাসনভাৰ গ্ৰহণৰ কথা কোৱাত নন্দীবৰ্ধন কিছু বিমোৰত পৰা যেন হ'ল।

ৰাজপুত্ৰ নন্দীবৰ্ধন আছিল অধ্যয়নশীল যুৱক। তেওঁক 'গ্ৰন্থকীট'ও বুলিব পাৰি।

যি কি নহওক—পিতৃদেৱে শাৰীৰিক অসামৰ্থ্যতা হেতুকে ৰাজ্যৰ শাসনভাৰ চলোৱাত টান পোৱাত অৱশেষত যুৱৰাজ নন্দীবৰ্ধন পিতৃৰ প্ৰস্তাৱত সন্মত হ'ল।

জ্ঞাপন কৰি ক'লে, "তোমাৰ দৰে নিপুণ ব্যক্তি এজনক মোৰ কৰ্মচাৰী হিচাপে পোৱাটো ভাগ্যৰহে কথা। তুমি ইয়াতে থাকা, তোমাক নিশ্চয় নিযুক্তি দিম।"

তাৰ পাছত ৰজা নন্দীবৰ্ধনে চোৰাং-চোৰাইতৰ যোগেদি বিশ্বকৰ্মৰ সম্পৰ্কে অনুসন্ধান কৰি জানিলে যে বিশ্বকৰ্ম অত্যন্ত বুদ্ধিমান, আৰু সৎ।

ৰজা নন্দীবৰ্ধনে ভাবিলে : এটা কাম কৰোঁনে ? বিশ্বকৰ্মকে মোৰ বেশ ধাৰণ কৰি কিছুদিনলৈ ৰাজ্যপালন কৰিবলৈ কওঁ, আৰু মই সেই কিছুদিনৰ ভিতৰত প্ৰজাৰ মংগল সধাৰ গ্ৰন্থখিনি নিশ্চিন্ত মনেৰে পঢ়ি লওঁ। বিশ্বকৰ্মৰ আচল পৰিচয় কোনেও গম নাপায়।

ৰজাৰ প্ৰস্তাৱ শুনি বিশ্বকৰ্মই ক'লে, "মহাৰাজ আপোনাৰ আদেশ মই অমান্য নকৰোঁ। ৰাজাজ্ঞা অৱশ্যপালনীয়।"

তাৰ পাছত—পৰিকল্পনামতে বিশ্বকৰ্ম ৰজা নন্দীবৰ্ধনৰ ভাও দি থাকিল। আৰু প্ৰকৃত ৰজা নন্দীবৰ্ধন বিশ্বকৰ্মত বাজে আন কোনেও নজনা ঠাই এটুকুৰাত সাধাৰণ ঘৰ এটা সাজি তাতে বসবাস কৰি থাকিল। আৰু নকলী ৰজা বিশ্বকৰ্ম ৰজা নন্দীবৰ্ধনৰূপে প্ৰাসাদত থাকিল।

আৰু পাছ দিনাৰেপৰাই ৰজাৰূপে বিশ্বকৰ্মই সিংহাসনত আৰোহণ কৰি ৰাজ্য-শাসনৰ কাম আৰম্ভ কৰি দিলে।



তাৰ পাছত প্ৰকৃত ৰজা ৰাজপ্ৰাসাদলৈ গ'ল। তাত মহামন্ত্ৰী সুবুদ্ধিয়ে ৰজা নন্দীবৰ্ধনক ক'লে, "মহাৰাজ, আমাৰ চৰিয়াহঁতে এই সমাচাৰ আজিয়েই আনি দিলে যে—যোৱা দুমাহ ধৰি আপুনি প্ৰজাবৰ্গৰ বাবে যিবোৰ কাম কৰিছে, প্ৰজাবৰ্গই তাৰ বাবে তেওঁলোকৰ ৰজাৰ নামত জয়ধ্বনি দিছে।"

দুটামান দিন অন্তঃপুৰত অতিবাহিত কৰাৰ অন্তত ৰজা নন্দীবৰ্ধন পুনৰ সেই অজ্ঞাতবাসলৈ উভতি গ'ল আৰু গৈ তেওঁ বিশ্বকৰ্মক ক'লে, "মই আৰু কিছুদিন ইয়াতে থাকিম। তুমি আগৰ দৰেই ৰাজ্য-শাসনৰ কাম কৰি থাকা।"

চাওঁতে চাওঁতে আৰু চাৰি মাহ পাৰ হ'ল। এই চাৰিমাহৰ মাজত বিশ্বকৰ্মই ৰাজ্যৰ প্ৰায় সমগ্ৰ ৰাইজক কৰ্মমুখী কৰি তুলিব পাৰিলে। ৰাইজৰ কামত সকলোৱেই আগ বাঢ়ি আহিবলৈ আগ্ৰহ প্ৰকাশ কৰি থাকিল। দেশত বহু সংখ্যক গৃহ নিৰ্মিত হ'ল, পঢ়াশালি প্ৰতিষ্ঠিত হ'ল, আলি-পদূলি নতুনকৈ নিৰ্মাণ কৰা কৰা হ'ল, আৰু খেতি-মাটিত জল-সিঞ্চনৰ সুবন্দবস্ত, চৰকাৰী চিকিৎসালয় স্থাপন আদি অসংখ্য নতুন নতুন কাম কৰা হ'ল।

কিন্তু তিমানতে এটা বিশেষ ঘটনাও

বিশ্বকৰ্মই কালক্ষেপ নকৰি কামতে লাগি পৰিল। প্ৰজা-মংগলকাৰী বিভিন্ন পৰিকল্পনাক দ্ৰুতগতিৰে ৰূপায়িত কৰাৰ বাবে বছা বছা কৰ্মীসকলক বাছি ল'লে। পূৰ্ণ গতিৰে প্ৰজা-মংগলকাৰী পৰিকল্পনাসমূহৰ কাম চলি থাকিল।

কথামতে — দুমাহৰ অন্তত বিশ্বকৰ্ম এদিন প্ৰকৃত ৰজা নন্দীবৰ্ধনৰ ওচৰলৈ গ'ল। প্ৰকৃত ৰজা নন্দীবৰ্ধনে বিশ্বকৰ্মক ক'লে, "যোৱা দুমাহ ধৰি তুমি কেনে কুশলতাৰে ৰাজ্যপালন কৰিলা, মই আজি তাৰ খা-খবৰ ল'বলৈ আলাম। মই উভতি নহালৈকে তুমি ইয়াত লুকাই থাকা।"

ঘটিল। ৰাজ্যৰ ৰাইজে কেনেবাকৈ তেওঁলোকৰ এইগৰাকী ৰজাৰ আচল পৰিচয় নজনাকৈ নাথাকিল। লগতে — প্ৰকৃত ৰজা নন্দীবৰ্ধন যে কোনোবা বিশেষ ঠাইত গুপ্তভাৱে থাকে—সেই কথাটোও সদৰি হৈ গ'ল।

আৰু তাৰ পাছত যি ঘটনা ঘটিল—সেই ঘটনা অতি অভিনৱ। সমগ্ৰ ৰাজ্যৰ ৰাইজে বিশ্বকৰ্মকে দেশৰ ৰজা পাতিবলৈ আন্দোলন আৰম্ভ কৰিলে।

এনে অভাৱিত ঘটনাৰ কথাত প্ৰকৃত ৰজা নন্দীবৰ্ধন ব্যথিত হ'ল। তেওঁ বিশ্বকৰ্মক মতাই অনাই ক'লে, "তোমাৰ কাৰণে মোৰ সকলো সুযশ গুচি দুৰ্যশ হ'ল। তোমাৰ ছদ্মবেশৰ নিপুণতা মোক প্ৰদৰ্শন নকৰাহেঁতেন আজি মই ইমান বদনামী নহ'লোহেঁতেন।"

এই কথা শুনি বিশ্বকৰ্মই ক'লে, "মই ছদ্মবেশ ধাৰণ কৰাত পাৰ্গতালি অৰ্জাৰ কাৰণে আপোনাৰ বদনাম হোৱা বুলি যদি ভাবিছে—তেনেহ'লে মই আপোনাক স্বাৰ্থপৰ বুলি ক'লে মোক ক্ষমা কৰিব।"

বিশ্বকৰ্মৰ বিহ লগা কথাত ক্ৰোধান্বিত হৈ ৰজা নন্দীবৰ্ধনে তাক ক'লে, "শুনা, ৰাইজে ক'লেই মই তোমাক ৰজা নাপাতোঁ নহয়? মনত ৰাখিবা, যিমানেই নামিবা তিমানেই ভিজিবা।"

"মহাৰাজ, মোক ক্ষমা কৰক। মই



যি কথা ক'লোঁ, আপুনি ঠাণ্ডা মাথাৰে চিন্তা কৰি চাব—এয়ে মোৰ বিনম্ৰ প্ৰাৰ্থনা।" বিশ্বকৰ্মই ক'লে।

তাৰ পাছত ৰজা নন্দীবৰ্ধন অন্তেষপুৰলৈ গ'ল আৰু তাত এই বিষয়টোৰ সম্পৰ্কে গভীৰভাবে চিন্তা কৰিবলৈ ধৰিলে। আৰু কিছু সময়ৰ পাছত ৰজা নন্দীবৰ্ধন এটা স্থিৰ সিদ্ধান্তলৈ আহিল।

পাছ দিনা ৰজা নন্দীবৰ্ধনে সমগ্ৰ ৰাজ্যত ঘোষণা কৰোৱালে যে—ৰাজ্যৰ উল্লেখযোগ্য ব্যক্তিসকল এই ৰাজসভালৈ আহক, তেওঁলোকৰ আগত ৰজাৰ কিছু বক্তব্য তথা নিবেদন আছে।

ৰাজসভাত উপস্থিত গণ্য-মান্য ব্যক্তিবৰ্গৰ আগত ৰজা নন্দীবৰ্ধনে ক'লে: "মই ৰজা হিচাপে প্ৰজাৰ প্ৰতি মোৰ দায়িত্ব পালন কৰাত অপৰাগ বুলি যে দেশৰ ৰাইজে ভাবিছে — মই জানো। আৰু সেই কাৰণে, বিশ্বকৰ্মই ৰাজ্য শাসন কৰি থাকক—মই এই প্ৰস্তাৱ ৰাইজৰ আগত দাঙি ধৰিছো।"

ৰাজসভাত উপস্থিত ব্যক্তিবৰ্গই হাত চাপৰিৰে এই প্ৰস্তাৱলৈ সমৰ্থন জ্ঞাপন কৰাৰ পাছত ৰজা নন্দীবৰ্ধনে বিশ্বকৰ্মক ক'লে, "ৰাইজৰ অভিপ্ৰায় অনুসাৰে এতিয়াৰপৰা তুমিয়েই সিংহাসনত বহিবা।"

কিন্তু বিশ্বকৰ্মই ক'লে; "ইয়াত সমবেত ৰাইজ! আমাৰ মহাৰাজে আপোনালোকৰ প্ৰতি তেওঁৰ দায়িত্বক কদাপি জাৰি-জোকাৰি পেলোৱা নাছিল। মাত্ৰ—গভীৰ মনোযোগেৰে অধ্যয়নৰ বাবে মোৰ হতুৱা তেৱেঁই কিছুখিনি কাম কৰোৱাইছিল। সকলো কাম-কাজ মহাৰাজৰ পৰামৰ্শমতেহে মই কৰিছিলোঁ। এতিয়া ৰাজ্যৰ শাসনৰ দায়িত্ব গ্ৰহণৰ ক্ষমতা মোৰ নাই। মোক ৰাইজে ক্ষমা কৰক।"

বিশ্বকৰ্মৰ এনে উদাৰতাৰ শলাগ ল'লে ৰাইজে। আৰু তেওঁলোকে মহাৰাজ নন্দীবৰ্ধনৰ নাম কাঢ়ি জয়ধ্বনি দিলে।

তেতিয়া ৰজা নন্দীবৰ্ধনে সভাসদসকললৈ ক'লে, "আমাৰ — এই বিশ্বকৰ্মা ৰূপী

বিশ্বকৰ্মৰ অপাৰ গুণ-গৰিমাৰ শলাগ লৈ মই বিশ্বকৰ্মক মোৰ প্ৰধান পৰামৰ্শদাতাৰ নিযুক্ত কৰিলোঁ।"

ৰাইজ ৰাজসভা এৰি গুচি যোৱাৰ পাছত বিশ্বকৰ্মই ৰজা নন্দীবৰ্ধনক ক'লে, "মহাৰাজ, আপোনাক নিঃস্বাৰ্থ ব্যক্তি বুলি ক'বই লাগিব।"

বিশ্বকৰ্মৰ এই কথাৰ উত্তৰত নন্দীবৰ্ধনে মিচিকীয়াই হাঁহিলে মাথোন।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা বিক্ৰম, ইমান সহজে দেশৰ সিংহাসন পায়ো বিশ্বকৰ্মই কিয় নোলোৱা হ'ল? আৰু আগতে ৰজা নন্দীবৰ্ধনক স্বাৰ্থপৰ বুলি কৈ, পাছত সেই একেইজন বিশ্বকৰ্মই কিয় নিঃস্বাৰ্থ বুলি কোৱা হ'ল? মোৰ এই প্ৰশ্নটোৰ উত্তৰ জানিও সঠিককৈ নিদিলে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "ৰজা নন্দীবৰ্ধনে তাক নকল ৰজা হিচাপে ব্যৱহাৰ কৰি তাৰ কৰ্মদক্ষতাক ব্যৱহাৰ কৰাৰ বাবে বিশ্বকৰ্মই ৰজাক 'স্বাৰ্থপৰ' বুলি কৈছিল, আৰু পাছত বিশ্বকৰ্মাক ৰাজ্যৰপৰা নেখেদি প্ৰধান পৰামৰ্শদাতা হিচাপে লোৱাত ৰজাক 'নিঃস্বাৰ্থ' বুলি কৈছিল। আৰু—এখন দেশৰ ৰজা হ'বলৈ যে বহুকাল জোৰা 'ঐতিহ্য' থাকিব লাগে, সেই কথা বুদ্ধিমান বিশ্বকৰ্মই উপলব্ধি কৰি সহজে সিংহাসন পায়ো নোলোৱা হৈছিল। কিয়নো—ৰজা হ'বলৈ বুদ্ধিয়েই যথেষ্ট নহয়, 'ঐতিহ্য' যে তাতোকৈ আৱশ্যকীয় তথা অতি প্ৰয়োজনীয় বিষয়—সেই কথাত বিন্দুমাত্ৰ সন্দেহ নাই।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



স্বাৰ্থ-পৰাৰ্থ

মানিকপুৰ গাঁৱৰ দুগৰাকী মান্যগণ্যই গাঁৱত মন্দিৰ এটা স্থাপিবলৈ গাঁৱৰ ৰাইজৰপৰা চান্দা খুজিবলৈ ধৰিলে। ভূষণ আছিল মানিকপুৰৰ আটাইতকৈ ধনী মানুহ; কিন্তু একেবাৰে হাড়-চিকটা। গতিকে—চান্দা বিচৰা দুজনে চান্দা বিচাৰি ভূষণৰ কাষ নাচাপিল।

এদিন ভূষণ চহৰৰপৰা গাঁৱলৈ গৈ থাকোঁতে বাটত সেই মান্যগণ্য দুজনক হঠাৎ লগ পাই ক'লে, "হেৰা, তোমালোকে দহো ৰাইজৰ বাবে যিটি কামত ধৰিছা—প্ৰকৃততেই সজ কাম। কালিলৈ আগবেলা আমাৰ ফালে আহিবাচোন।"

পাছদিনা দুযো ভূষণৰ ঘৰলৈ গ'ল। ভূষণে দুয়োকো আথেবেথে বহিবলৈ দিলে, আৰু ক'লে, "চোৱাঁ, শিৱৰাজ, তুমি হ'ল কি বোলেনে—বিখ্যাত পশু—চিকিৎসক, এইজনীৰ কাণৰ ভিতৰত কিবা এটা থহ-তহ হ'ল। কি কৰোঁ কোৱাচোন?"

শিৱৰাজ বেজে পৰীক্ষা কৰি চালে গাইজনীক। তাৰ পাছত ভূষণক ক'লে, "ঘোঁৰা নিমৰ পাতৰ ৰস সাদিনমান দিলেই ঠিক হৈ যাব।"

তাৰ পাছত দ্বিতীয়জনক, অৰ্থাৎ লক্ষ্মণছাহক ভূষণে সুধিলে, "বাৰু ছাহ্‌জী, আপুনি হ'ল নাম-ডাক থকা স্থপতি। এই গৰু-ম'হবিলাক ভালকৈ পুহিবলৈ আমাৰ এই মাটিৰ কোনখিনিত গোহালি সাজিলে ভাল হ'ব—ক'বনে?"

লক্ষ্মণছাহে অলপ ঘূৰি-পকি চাই-চিতি ঠাই এডোখৰ দেখুৱাই দিলে।

সেইদিনা গধূলিতে চাৰিআলিত শিৱৰাজ আৰু লক্ষ্মণছাহে যেতিয়া ক'লে যে ভূষণে মন্দিৰৰ কামত পঞ্চাছ টকা চান্দা দিলে—তেতিয়া ৰাইজৰ মাজত হৈ-চৈ লাগি পৰিল।

এই হৈ-চৈৰ মাজতে বুঢ়া মানুহ এজনে শিৱৰাজক সুধিলে, "হেৰা শিৱৰাজ, তুমি বস্তু পৰীক্ষা কৰি ব্যৱস্থা দিবলৈ আজিকালি কিমানকৈ লোৱাহে?"

"পঞ্চাছ টকাকৈ, ককা।" শিৱৰাজে ক'লে।

"আৰু তুমি লক্ষ্মণছাহ? তোমাৰ মাননীনো কিমান?"

"অতি কমে—এশটকা।" লক্ষ্মণছাহে ক'লে।

বুঢ়া মানুহজনে মুচুক কৰে হাঁহি মাৰি ক'লে, "এতিয়া কোৱাঁ, ভূষণে দিলে নে নিলে? এশ পঞ্চাছৰ কাম সি চিকটা ভূষণে দেখোন পঞ্চাছ টকাৰে কৰাই ল'লে!"

চান্দমামা-ক্ৰোড়পত্ৰ-১৬

জ্ঞান ভাণ্ডাৰ

তেওঁনো কোন ?

বহু কালৰ আগৰ কথা। এজন ব্ৰাহ্মণ যুৱক তেওঁৰ লগৰীয়াসকলক লগত লৈ সমুদ্ৰ-যাত্ৰালৈ ওলাল। কেইবাসপ্তাহো একেৰাহে সমুদ্ৰযাত্ৰা কৰাৰ অন্তত তেওঁলোকে দ্বীপ এটা দেখা পালে। কিন্তু দ্বীপটোৰ কাষ চাপি যোৱাৰ পাছত দ্বীপৰ মাটিত সশস্ত্ৰ প্ৰহৰী এজনক থিয় হৈ থকা দেখি ব্ৰাহ্মণ যুৱক কিছু বিভ্ৰান্ত হ'ল। এই প্ৰহৰীজনক এজনী যুৱতীয়ে পৰিচালনা কৰি আছিল। সমুদ্ৰৰ পাৰ পাই ব্ৰাহ্মণ যুৱকে প্ৰহৰীলৈ কাঁড় টোঁৱালে। কিন্তু সেই কাঁড় যুৱকৰ হাততে ৰৈ গ'ল। তেওঁৰ সমুদ্ৰ তীৰত নাৱৰপৰা নামিলে। লগে লগে সেই যুৱতীয়ে ব্ৰাহ্মণ যুৱকক নৱবস্ত্ৰেৰে আদৰিলে। তাৰ পাছত দুয়ো বিবাহ-বন্ধনত আবদ্ধ হ'ল আৰু ব্ৰাহ্মণ যুৱকে সেই দ্বীপত এক হিন্দু ৰাজ্য স্থাপনা কৰিলে। এই ঘটনা ১৯৭ খৃষ্টাব্দত ঘটিছিল।

এই ব্ৰাহ্মণ যুৱক কোন আছিল? দেশখন কোন দেশ?

[উত্তৰ ৩৬ পৃষ্ঠাত]

আমি জানোনে ?

১. 'পাকিস্তান' নামটোৰ স্ৰষ্টা কোন?
২. উক্ত নাম কেতিয়া দিয়া হৈছিল?
৩. উক্ত নামটোৰ কিবা অৰ্থ আছেনে?
৪. বুদ্ধৰ জন্ম লুম্বিনীত হৈছিল। এতিয়া সেই ঠাইৰ নাম কি?
৫. সেই ঠাইডোখৰ কেনেকৈ বিচাৰি উলিওৱা হৈছিল?

[উত্তৰ ৩৬ পৃষ্ঠাত]

ভাৰতঃ অতীতৰ-আজিৰ

গান্ধাৰ তক্ষশীলা

আজি আমাৰ ভাৰতৰ মানচিত্ৰত 'গান্ধাৰ' নামৰ কোনো ঠাইৰ অস্তিত্ব নাই। কিন্তু 'গান্ধাৰ' বুলি ক'লে বুজি নোপোৱাও নিশ্চয় ভাৰতত কোনো নাই।

আমাৰ প্ৰাচীন সাহিত্যত য'তে ত'তে 'গান্ধাৰ'ৰ উল্লেখ পৰিলক্ষিত হয়। অঙ্গ-বঙ্গ-কলিঙ্গ আদি ৫৬ খন ৰাজ্যৰ মাজত গান্ধাৰও উল্লেখযোগ্য ৰাজ্য আছিল। ধৃতৰাষ্ট্ৰৰ পত্নী গান্ধাৰী আছিল গান্ধাৰ ৰাজ্যৰ ৰাজকুঁৱৰী। তেওঁৰ নামানুসাৰেই 'গান্ধাৰ' নাম হ'ল। গান্ধাৰীৰ ভাতৃ শকুনি আছিল গান্ধাৰ ৰাজ্যৰ ৰজা। কুৰু-পাণ্ডৱৰ যুদ্ধত শকুনি আছিল এক অপৰিহাৰ্য্য চৰিত্ৰ।

সিন্ধু নদীৰ উভয় তীৰলৈকে গান্ধাৰ ৰাজ্য বিয়পি আছিল। অতীতৰ গান্ধাৰ আজি পাকিস্তানত ৰাওৱালপিণ্ডি আৰু







পেশ্বোৰাৰ জিলাৰ নামেৰে জনাজাত।

প্ৰাচীন কালৰ অন্ততো গান্ধৰাৰ খ্যাতি ম্লান হোৱা নাছিল। বিশেষকৈৰ গান্ধাৰ ৰাজ্যৰ তক্ষশীলা তথা পুষ্কলাৱতী নগৰ আছিল উচ্চ শিক্ষা, সংস্কৃতি আৰু বেপাৰ-বাণিজ্যৰো প্ৰধান কেন্দ্ৰস্থল।

বিশ্ববিখ্যাত তক্ষশীলা বিশ্ববিদ্যালয়ত বহুতো মেধাৱী পণ্ডিত ব্যক্তিয়ে বিদ্যাভ্যাস কৰিছিল। খৃষ্টপূৰ্ব ৫ শতিকাত মগধত বিম্বিসাৰে ৰাজত্ব কৰিছিল। তেওঁৰ দৰবাৰৰ বিখ্যাত বৈদ্যশাস্ত্ৰী জীৱকে তক্ষশীলা বিশ্ববিদ্যালয়ত সাত বছৰলৈ অধ্যয়ন কৰিছিল।

পাকিস্তানৰ ৰাওৱালপিণ্ডিৰপৰা ৩০ কিল'মিটাৰ দূৰস্থিত সৰাই-কোলা ৰেল-স্টেশ্যনৰ ওচৰত তক্ষশীলাৰ ধ্বংসাৱশেষ অদ্যাপি দৃষ্ট হৈছে।

গান্ধাৰ কিছু কালৰ বাবে পাৰস্য সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। এই ৰাজ্যৰ কিছু কিছু ঠাই গ্ৰিকসকলেও সাময়িক অধিকাৰ কৰিছিল। সেয়েহে গান্ধাৰৰ সুবিখ্যাত শিল্প-কলাত কিছু বিদেশী প্ৰভাৱ পৰিলক্ষিত হয়।

পৰ্বত বেষ্টিত এই অসাধাৰণ সুন্দৰ ঠাইৰ সাহসী পাঠানসকলৰ মাতৃভূমিৰ সিংহদ্বাৰ হ'ল পেশ্বাৱৰ বা পেশ্বোৱাৰ।

সাহিত্যলৈ এভুমুকি

১. শ্ৰীকৃষ্ণ-পৰিচিতিমূলক দুখন বিখ্যাত গ্ৰন্থ কি কি?

২. তিনিটা প্ৰধান বেলেগ বেলেগ বিষয়ৰ পৰিচয় প্ৰদানকাৰী তিনিখন শতক কোনগৰাকী কবিয়ে ৰচনা কৰিছিল?

৩. সেই তিনিখন শতকৰ নাম কি?

৪. সেইগৰাকী কবি ক'ত জন্মগ্ৰহণ কৰিছিল?

৫. মিছৰদেশৰ সৰাতোকৈ প্ৰাচীন গ্ৰন্থৰ নাম কি?

৬. উক্ত গ্ৰন্থ কিমানদিনৰ প্ৰাচীন?

উত্তৰ

তেওঁ কোন

কম্বোজ (কাম্বোডিয়া) দেশৰ স্থাপনা কৌণ্ডিল্যই কৰিছিল।

আমি জানোনে?

১. চৌধুৰী ৰহমত আলী।

২. ১৯৩৩ খৃষ্টাব্দত।

৩. পৱিত্ৰ ভূমি।

৪. নেপালৰ নামনিত থকা লুম্বিনী।

৫. সম্ৰাট অশোকৰ শিলালিপিৰে, যি শিলালিপি অদ্যাপি তাত আছে।

সাহিত্য

১. ভাগৱত আৰু মহাভাৰত।

২. ভৰ্তৃহৰি।

৩. শৃংগাৰ শতক, বৈৰাগ্য শতক আৰু নীতি-শতক।

৪. তেওঁক উজ্জয়িনৰ ৰাজকোঁৱৰ বুলি কোৱা হয়।

৫. মৃতকৰ গ্ৰন্থ।

৬. এই গ্ৰন্থৰ কিছুমিনি অংশ খৃষ্টপূৰ্ব ৩২০০ চনত বিদ্যমান আছিল।

আচলী-নকলী

কনকদাসে তেওঁৰ যোগ্য পুত্ৰ মোহনদাস আৰু কৃষ্ণদাসক বিয়া দিছিল উপযুক্ত বয়সতে। আৰু জীয়েক ৰাধাকো বিয়া দিছিল ভাল ঘৰ-বৰ চাই। কনকদাস জীয়াই থকালৈকে কোনো লেঠা নাছিল, কিন্তু তেওঁৰ মৃত্যুৰ পাছতহে কথা বেলেগ হ'ল, মাকক লৈ ভাগ ধৰা হ'ল।

যি কি নহওক—পুতেকহঁতে যিয়েই যি নকৰক, বোৱাৰী দুজনীয়ে পোনতে শাহুৰেকক আদৰ-সাদৰ নকৰা নহয়, যথেষ্ট আদৰ কৰা হ'ল। শাহুৰেকেও নিজৰ পেটৰ পো-হঁততকৈ আনৰ জীয়ৰীয়ে বোৱাৰী হৈ আহি তপত বাঁৰী হোৱাৰ দুখ-শোক পাহৰাই দিয়াত সিহঁত দুজনীৰ বিষয়ে য'তে ত'তে বিদাপতি গোৱা হ'ল।

কিন্তু কিছুদিনৰ পাছত ক'ৰবাত যেন কিবা কেনা লাগিল। বোৱাৰী দুজনীৰ এজনীয়েও সিমান আৰু আদৰ-সাদৰ নকৰা হ'ল। ক্ৰমে সিহঁত দুজনীয়ে অলপ অলপকৈ হলেও মুখ ফালি তীখা দিবলৈ ধৰিলে। কিয়নো — বোৱাৰী দুজনীয়ে তিমানতে গম পালে যে শাহুৰেৰাৰ গহনা-গাঠৰি বোলা একো-এটাও নাই। তেনেহ'লে আৰু কিহলৈনো ইমান গলৰ হাৰমালা কৰি ৰাখিব লাগিল?

লাহে-ধীৰে মাকৰ অৱস্থা ক'বলৈ গ'লে—মোটাত পৰাহে হৈ উঠিল। মাক প্ৰায় মোৰ হেৰা হৈ পৰিল। পুতেকহঁতেও ঘূৰি নোচোৱা হ'ল। কিয়নো—দুয়োটা পুতেকেই ঘৈণীয়েকৰ ঘেং শুনিলেই লেং খাই পৰা হ'ল। গতিকে মাকেই এতিয়া সিহঁতৰ মানত ভাৰ-বোজাৰ বন হ'ল।

অৰ্পিতা চলিহা

এতিয়া অৱস্থা এনেকুৱা হৈ উঠিল যে--মাকৰ পক্ষে নিজৰ পুতেকহঁতৰ ওচৰত থকাটোৱেই টান হৈ উঠিল। তেতিয়া মাক বাধ্যত পৰি জীয়েক ৰাধাৰ ঘৰলৈ গ'ল, আৰু তাতে, জোঁৱায়েকৰ ঘৰতে থাকিবলৈ ল'লে।

প্ৰথম কিছুদিন ভালে-কালেই কাটিল। তাৰ পাছত ইয়াতো আলি-আন্ধাৰি লগা যেন হ'ল। জোঁৱায়েক অৱশেষে জেঙা-জঁট ভাঙিবলৈ প্ৰস্তাৱ এটি দিলেঃ তেওঁৰ ভাগৰ মাটি-বাৰীখিনি ৰাধাৰ নামত লিখি দিবলৈ, কিয়নো, তেওঁৰ তো পাল শুটিবৰ হৈ আহিলেই···ইত্যাদি। আৰু— এইটোনো কেনে কথা যে — মাটি-বাৰী পুতেকহঁতে পাব, আৰু বাঁৰী মাকৰ মৰণ-বাঁচন জীয়েকেহে চাব ?

মাকেও ভাবিলেঃ কথাটো তো সঁচা। যেই কি নহওক — কথাটোৰ চয়-নিচয় কৰিবলৈ মাক মানিনীদেৱী গাঁওবুঢ়াৰ কাষ চাপিল।

সকলো কথা শুনাৰ অন্তত গাঁওবুঢ়াই মানিনীক ক'লে, "শুনা, এই কথাত তুমি ইমান চিন্তা নকৰিবা। তোমাৰ তেওঁ সিফলীয়া হোৱাৰ আগতে মোৰ ওচৰত সৰু বাকচ এটাত সোণৰ গহনা-পাতি ভৰাই থৈ গৈছে। কিন্তু—কিয় যে থৈ গ'ল, মোৰ ধাৰণাৰ বাহিৰ। ঠিক আছে, তোমাক যেতিয়া পুতেৰ-জীয়েৰহঁতৰ



কোনেও ঠাই নিদিবই, তুমি আপাততঃ মোৰ ঘৰতে থাকা, পাছত চাবা—মৌ দেখিলে মাখি কেনেকৈ পৰেহি।"

তাৰ পাছত গাঁওবুঢ়াই মানিনীৰ পুতেক-জীয়েকহঁতক মতাই অনালে আৰু সিহঁতক ক'লে, "তোমালোকৰ মাৰাৰ ভৰণ-পোষণত অৰহেলা — অতি অন্যায়-অকৰ্তব্য বুলি ক'বই লাগিব। পুত্ৰই যদি মাকলৈকো ঘূৰি নোচাৱা হয়—তেনেহ'লেনো পুত্ৰসকল কলিৰ নাৰকী বুলি নকৈ আৰু কি ক'ম? পিছে—এটা কথা শুনা, চায়ো যোৱা যে—তোমালোকৰ মাৰাৰ ভৰণ-পোষণৰ কাম তোমালোকে নকৰিলেও তোমালোকৰ দেউতাৰাই সেই বন্দৱস্ত কৰি থৈ গৈছে। যি বন্দৱস্ত কৰি থৈ গৈছে — তাৰে মানিনীয়ে মাহৰ শাক বৰাৰ ভাত খাই জীৱন সুখে-সন্তোষেৰেই কটাব পাৰিব।"

"আপোনাৰ কথাৰ অৰ্থ ঠাৱৰ কৰিব পৰা নাই দেখোন।" পুত্ৰদ্বয়ে একযোগে গাঁওবুঢ়াক ক'লে।

"কথা হ'ল যে — তোমালোকৰ দেউতাৰাই—কনকে—মোৰ ওচৰত সোণৰ গহনা-পাতি কিছুখিনি সৰু বাকচ এটাত ভৰাই থৈ গ'ল মানিনীৰ ভৱিষ্যতৰ কথা ভাবি। আৰু—এইখিনি তোমালোকক তিনিওকো সমানভাবে ভগাই দিবলৈকো মোক কৈ গ'ল কনকে। লগতে কিন্তু



এই কথাটোও কৈ গৈছিল যে—মাৰাক অনাদৰ-অবহেলা কৰিলে কাকো এই গহনা-পাতিৰ ভাগ দিয়া নহ'ব।"

শুনি তিনিও ভেবা লাগিল, আৰু তিনিও গাঁওবুঢ়াৰ পিনে চাই থাকিল। গাঁওবুঢ়াই ঘৰৰ ভিতৰলৈ গৈ সৰু বাকচ এটা লৈ আহিল আৰু মৃত্যুৰ আগে আগে কনকদাসে মানিনীৰ কাণে থৈ যোৱা গহনাখিনি সিহঁতৰ চকুৰ আগত মেলি ধৰি ক'লে, "এইখিনিৰ দাম—আজিৰ দিনত কমেও এক লাখ ডেৰলাখমান হ'ব কিজানি।"

তাৰ পাছৰপৰা পুত্ৰ-পুত্ৰী-জোঁৱায়েক—সকলোটিয়েই মানিনীক যথেষ্ট আদৰ-সাদৰ খাতিৰ-বাতিৰ কৰা হ'ল। জীৱনৰ বাকী কালছোৱা সুখে-সন্তোষে কটাই এদিন মানিনীও ভগৱন্তৰ ঘৰলৈ গুচি গ'ল।

আৰু তাৰ পাছত এদিন কনকদাসৰ পুত্ৰ-পুত্ৰী আৰু জোঁৱায়েক আদি আটাই-কেইটায়েই গাঁওবুঢ়াৰ ওচৰলৈ ঢপলিয়াই গ'ল কনকদাসে থৈ যোৱা গহনা-পাতিখিনি গাঁওবুঢ়াৰ তাতে ভগাই ল'বলৈ।

গাঁওবুঢ়াই বিনা প্ৰশ্নে গহনাৰ বাকচটো সিহঁতক দিলে আৰু সিহঁতক খুলি চাবলৈ ক'লে। বাকচটো খুলি চাই সিহঁত আচৰিত হৈ পৰিল। গহনাখিনি নকলী সোণৰ গহনা!

সিহঁতে কথাটো গাঁওবুঢ়াক সোধাত গাঁওবুঢ়াই সিহঁতক ক'লে, "তোমালোকেও কিন্তু সোণৰ গহনাৰ লোভত পৰি মাৰাৰ প্ৰতি নকলী মৰমহে দেখুৱাইছিলা। নকলী মৰমৰ মুল্য নকলী সোণ নহৈ আচঁৌল সোণ হ'বনে?"

গাঁওবুঢ়াৰ এই কথাৰ উত্তৰ কোনো এটায়ো দিব নোৱাৰিলে। আটাই-কেইটায়েই মুখত কোবোৱা দমৰাহেন হৈ উভতি খোজ ল'লে।

বনৰ বাঘ-মনৰ বাঘ

নৰকান্ত আৰু শ্ৰীকান্ত হ'ল ভাই-ককাই। দুয়ো মুকুন্দপুৰত নিজৰ নিজৰ ঘৰ সাজিলে। গৃহ প্ৰবেশৰ সময়ত পুৰোহিত নৰবৰ শাস্ত্ৰীয়ে দুয়োকো ক'লে, "হেৰা, তোমালোকৰ ঘৰ বাস্তু-শাস্ত্ৰ অনুসৰিয়েই বনোৱা হৈছে। কিন্তু—সোঁফালৰ ঘৰটো শ্ৰীকান্তই আৰু বাঁওফালৰটো তুমি—মানে নৰকান্তই ল'লেহে ভাল হ'ব।"

"কিয় ?" ভাই-ককায়ে কৈ উঠিল।

"কথা হ'ল—সৌৰৱণী ; তোমালোকৰ সৌৰৱণী বিচাৰ কৰি যি দেখা পালোঁ—যদি তোমালোকে ঘৰৰ সলনা-সলনি নকৰা—এবিধ দুষ্টশক্তিয়ে তোমালোকক জলা-কলা কৰিব। অৱশ্যে—সেই দুষ্ট-শক্তিয়ে তোমালোকৰ প্ৰাণ নাশ নকৰে।"

"অহ্। কথা এই ! ঠিক আছে—। আমি ভাবিছিলোঁ ভয়ংকৰ পৰিণাম কিবা হ'ব কিজানি। দুষ্টশক্তি-শক্তিলৈ আমাৰ কোনো ডৰ-ভয় মন-কাণ নাই, আমাৰ নিজৰ শক্তিতহে আমি বিশ্বাসী। শ্ৰীকান্ত, ঠিক কথা কোৱা নাইনে মই ?"

"ওঁ, ওঁ।" —সেপ ঢুকি শ্ৰীকান্তই ক'লে, "নহয়নো কি ?"

নাও চৰিৰ গুঁতা খোৱা নৰবৰ শাস্ত্ৰীয়ে ক'লে, "যদি তোমালোকেই ইমান জানন্তা হৈছো — মোকনো এই শুভ কাৰ্যত মাতিছিলা কেলে' ? মই জনাথিনি ক'মেই, কোৱাটো মোৰ কৰ্তব্য। এতিয়া তোমা-লোকৰ কপালত যি আছে—ভোগা।" এই বুলিকৈ, নৰশাস্ত্ৰী ঢুপঢুপাই গুচি গ'ল।

তাৰ পাছত নৰকান্ত-শ্ৰীকান্তই নিজৰ নিজৰ ঘৰলৈ গুচি গ'ল। গৃহ প্ৰবেশ

বিনোদ বৰা



আগতেই হৈছিল। এইবোৰ বস্তু-বাহানি ভৰাই থ'লে। নৰকান্তই তাৰ ঘৰৰ চালৰ সৰু কোঠাটোত দুটেমা তেল, কেবস্তামান ধান আৰু সৰুসুৰা ইটো-সিটো বস্তু ভৰাই থ'লে।

শ্ৰীকান্তয়ো তাৰ সকলো বস্তু-বাহানি সামৰি-সুতৰি থৈ, ঘৰৰ চালৰ কোঠাটোত পাঁচ বস্তা মাহ আৰু আচাৰৰ বয়াম দুটামান থৈ দিলে।

মাজনিশামানত নৰকান্তই দেখা পালে ঘৰৰ চালৰ সৰু কোঠাত থৈ দিয়া ধানৰ বস্তাৰ ঠাইত মাহভৰ্তি বস্তাহে আছে! নৰকান্তই ভাবিলেঃ এই মাহ দেখোন শ্ৰীকান্তৰহে! ইয়ালৈনো আনিলে কোনে?

নৰকান্তই তাৰ ককায়েকক সুধিলে, "তোমাৰ তাত মোৰ বস্তু কিবা গ'লনে?"

"হয়, কথা অতি বিচিত্ৰ যেন লাগিছে। পিছে মোৰ বয়-বস্তু বাৰু তোমাৰ ঘৰৰ চালৰ কোঠাত আহিলনে?"

"ঠিক সেয়ে হৈছে।" শ্ৰীকান্তই ক'লে।

তাৰ পাছত দুয়ো নিজৰ নিজৰ বয় বস্তু ঠিকঠাক কৰি থৈ দিলে।

উৰাই ৰাতি পুৰাই গ'ল, কিন্তু নৰকান্তৰ মনৰপৰা সপোনৰ, বা দুঃসপোনৰ জেলেকা নগ'ল। নৰকান্তই ভাবি থাকিলঃ এয়ানো কেনেকুৱা সপোন? যি সপোনে মনটো দুৰ্বল কৰি পেলায়?

নৰকান্ত শ্ৰীকান্তৰ ঘৰলৈ গ'ল। শ্ৰীকান্তই তাৰ ককায়েক নৰকান্তক ক'লে, "কথানো কি ককাইদেউ, তুমি ৰাতি—টোপনি বঞ্চি আছিলানে কি?"

"কেলেইনো ক'চোন? তোকো দেখোন দেখাত তেনেকুৱা যেনে লাগিছে। কথানো কি মোক খুলি-মেলি ক'চোন শুনো?" নৰকান্তই আগ্ৰহেৰে সুধিলে।

"তোমাৰ কি হ'ল নোকোৱা কেলে'?" শ্ৰীকান্তই বেতেৰি চোবালে।

তেতিয়া নৰকান্তই তাৰ সপোন বা দুঃসপোনৰ কথা কোৱাৰ অন্তত শ্ৰীকান্তই

আচৰিত মানি ক'লে, "মোৰো তেনেকুৱা হৈছিল টোপনিৰ মাজত। ময়ো ঘৰৰ চালৰ কোঠাত থৈ, দিয়া পাঁচবস্তা মাহৰ সলনি পাঁচ বস্তা ধান দেখা পাইছিলোঁ।"

"এইবোৰ কথা-কাণ্ড অতি বিচিত্র যেন লাগিছে। দুষ্টশক্তি অপদেৱতা—ভূত পিশাচ বীৰা যখ—এইবোৰত বাৰু তোৰ বিশ্বাস আছেনে?"

"নাই নাই:, এইবোৰ চব ভুৱা কথা। সিদিনা সেই নৰশাস্ত্রীটোক ক'লোঁৱেঁই নহয়?" শ্রীকান্তই যেনিবা অলপ ভৰৰী-পকীয়াকৈ ক'লে।

"হয় হয়, কৈছিলি। ময়ো। নৰশাস্ত্রীৰ কথাটো সমূলি পাহৰিয়েই আছিলোঁ।"

আজি ৰাতিৰ পৰতে ভাই-ককায়ে কালি ৰাতিৰ দুঃসপোনৰ ভেদ ভাঙিবলৈ সাজু হ'ল আৰু স্বপ্ন-ৰহস্য উদ্ধাৰৰ মনেৰে নিজৰ নিজৰ ঘৰৰ চালৰ সক কোঠাতে ৰাতিৰ পৰতে শুই থাকিলগৈ।

ৰাতি পুৱাল। নৰকান্তই সাৰ পাই ঘৈণীয়েকক মাত লগালে।

আৰু তাৰ মাত শুনি তাত ওলালহি ভাই-বোৱাৰী—মানে ভায়েক শ্রীকান্তৰ ঘৈণীয়েক। শ্রীকান্তৰ ঘৈণীয়েকে তাইৰ বৰজনা নৰকান্তকে ভূত দেখা দি দেখি কৈ উঠিল, "আমাৰ ঘৰত—আৰু এই চালৰ কোঠাত আপুনি শুইছিলহিনো?"

ভাই-বোৱাৰীৰ কথা শুনি আচৰিত



মানি নৰকান্তই কিবা উত্তৰ দিবলৈ ধৰোঁতেই টোপনি টুটিল। আৰু ঠিক তেতিয়াই তাৰ ঘৈণীয়েক তাত ওলালহি। ঘৈণীয়েকে ঘেং কৰি উঠি ক'লে, "ইয়াত শুই শুই ইমানকৈ চিয়ঁৰিছানো কিয় ?"

ঘৈণীয়েকৰ আগত নৰকান্তৰ অৱস্থা মুখত কোবোৱা দমৰা যেনহে হ'ল। সি একো নোকোৱাকৈ পোনে পোনেই ভায়েক শ্ৰীকান্তক সুধিলে, "তই সপোন বা দুঃসপোন একো দেখা নাইনে ?"

"সুধিছাই যদি ককাইদেউ—দুঃসপোন এটা দুটা বাৰটা চৈধ্যটা নহয়—দুঃসপোন মই দেখাৰ দেখি আছোঁ সেই নৰশাস্ত্ৰীয়েকৈ যোৱাৰ ৰাতিৰেপৰাই। যদি দুঃসপোনতে ৰাতি পুৱালহেঁতেন, তেও কথা নাছিল। কিন্তু—মাজে মাজেই টোপনিও টুটে, সপোনো ফুটে। আৰু ৰাতিপুৱা তাই চিয়ঁৰি উঠে: 'বিছনা এৰি কিয় নুঠে—?' তোমাক ককাইদেউ কি ক'ম, নৰশাস্ত্ৰীয়ে মনত ডৰৰ বাঘ সুমুৱাই দিয়াৰেপৰা ৰাতিবোৰ হ'ল জীয়া যম !"

ঠিকেই কৈছ। নৰশাস্ত্ৰীয়ে মনত সুমুৱাই দিয়া ভয়ৰ বাঘটো মনতে বহি থকালৈকে আমাৰ কিজানি নিস্তাৰ নাই। বনৰ বাঘক খেদিব পাৰি, মনৰ বাঘকনো খেদোঁ কিমতে ?" নৰকান্তই অত্যন্ত চিন্তান্বিতভাৱে ক'লে।

তেতিয়া ভায়েক শ্ৰীকান্তই ক'লে, "মনৰ বাঘ খেদাৰ মই এটা উপায় দিওঁনে ককাইদেউ ? আমাৰ ঘৰ দুয়োটা দেখাত একেই। আমি যদি নৰশাস্ত্ৰীয়ে কোৱা মতে সলনা-সলনি কৰি লওঁ—তেতিয়া কিজানি আমি মন-বলী হ'ব পাৰিম।"

সেই দিনাই দুয়ো ঘৰ সলাইছিল, আৰু সেই দিনৰপৰা আৰু কেতিয়াও ৰাতি সপোনৰ বা দুঃসপোনৰ জালত পৰি টোপনি বঞ্চিবলগা হোৱা নাছিল আৰু মনৰ বাঘটোও বনলৈ পলাই গৈছিল।



কৃষ্ণাৱতাৰ

৩০

কৃষ্ণৰ পত্নীসকল আৰু দ্ৰৌপদীয়ে একালে বাৰ্তালাপ কৰি আছিল আৰু অন্যফালে বাৰ্তালাপত নিমগ্ন আছিল কৃষ্ণ-বলৰাম আৰু অন্যান্য পুৰুষসকল। এনেতে তাত ভালেকেইগৰাকীমান মুনি আহিল, আৰু অন্যান্যৰ লগে লগে কৃষ্ণ-বলৰামেও মুনি-গণৰ চৰণ-বন্দনা কৰিলে। মুনিগণেও কৃষ্ণৰ স্তুতি কৰি কৃষ্ণক ক'লে, "হে কৃষ্ণ! আপুনিয়েই হ'ল মানৱৰূপধাৰী আদি দেৱ। আমি সকলো আপোনাৰ অধীন।"

এদিন বসুদেৱৰ ভাৰ্য্যা দৈৱকীয়ে তেওঁৰ মনতে ভাবি আছিল: মোৰ কৃষ্ণ বলৰাম সাধাৰণ মানুহ নহয়। কৃষ্ণ অতিকৈ অসাধাৰণ। কৃষ্ণই—কংসই একে একে বধ কৰা তাৰ গুৰুৰ মৃত সেই ছয় পুত্ৰক কেনেবাকৈ জীয়াই আনি দেখুৱাইছিল নহয়? মোক আনি দেখুৱাব নোৱাৰেনে মোৰ সেই মৃত ছয় পুত্ৰক?

দৈৱকীয়ে কথাটো কৃষ্ণক সুধিলে। কংসই বধ কৰা পুত্ৰসকলক জীয়ন্তে দেখুৱাব পাৰিবনে কি সুধিলে। দৈৱকীৰ কথাত তৎক্ষণাৎ সন্মত হৈ কৃষ্ণ বলৰাম দুয়ো মায়াবলেৰে পাতাললৈ গ'ল আৰু পাতালৰ ৰজা মহানুভৱ বলিক কৃষ্ণই ক'লে, "মহাৰাজ, প্ৰাচীনকালত ব্ৰহ্মাই স্বয়ম্ভুৰ ছয় পুত্ৰই সৰস্বতীৰ, সৈতে প্ৰেমলিপ্ত হোৱা দেখা পাই কুপিত হৈ, ব্ৰহ্মাই সেই ছয় পুত্ৰক ছটা ৰাক্ষসলৈ ৰূপান্তৰিত

'কৃষ্ণৰ নিৰ্বাণ'



হ'বলৈ অভিশাপ প্ৰদান কৰিছিল। এই ছয়োটা অভিশপ্ত ৰাক্ষসেই হিৰণ্যকশিপুৰ পুত্ৰৰূপে স্মৰ, উদ্গীথ, পৰিসংগ, পতংগ, ক্ষুদ্ৰভ আৰু ধৃণি নামেৰে উপজিল। তাৰ পাছত সিহঁত আমাৰ মাতৃৰ গৰ্ভতো উপজিছিল, আৰু কংসই সিহঁতক বধ কৰিছিল। সেই ছয়পুত্ৰ এতিয়া আপোনাৰ ৰাজ্যতে আছে। যদি সেই ছয়পুত্ৰক মোৰ হাতত সমৰ্পণ কৰে, তেনেহ'লে সিহঁতক এবাৰ মাত্ৰ দেখুৱাই মোৰ মাতৃক পৰিতুষ্ট কৰাৰ অন্তত সিহঁতক মই নিশ্চয় উত্তম লোকলৈ প্ৰেৰণ কৰিম।"

ৰাজচক্ৰৱৰ্তী বলিয়ে কৃষ্ণৰ অনুৰোধ মানি ল'লে আৰু সেই ছয়পুত্ৰক কৃষ্ণৰ হস্তত সমৰ্পণ কৰিলে।

নিজৰ মৃত পুত্ৰসকল পুনৰ জীয়ন্তে দেখা পাই দৈৱকী পৰম প্ৰসন্ন হ'ল আৰু পুত্ৰসকল বুকুৰ স্তন্যদুগ্ধ খুৱালে। পাছত— কৃষ্ণৰ অনুগ্ৰহত এই পুত্ৰ ছটি উৰ্দ্ধলোকলৈ গমন কৰিলে আৰু সিহঁত অভিশপ্ত জীৱনৰ-পৰা মুক্ত হ'ল।

এদিন কৃষ্ণক দৰ্শন কৰিবলৈ বিশ্বমিত্ৰ, অসিত, বন্ব, দুৰ্বাসা, ভৃগু, অংগীৰস, কশ্যপ বাসুদেৱ, অত্ৰি, বশিষ্ঠ, নাৰদ প্ৰমুখ মুনিসকল আহিল। তেতিয়া মুনিসকলক অলপ জোকাই ল'বৰ মনেৰে কিছুমান যাদৱ অৰ্থাৎ গৰখীয়া ল'ৰাই সাম্ব নামৰ ল'ৰা এটাক গৰ্ভৱতীৰ বেশ ধাৰণ কৰাই মুনিগণৰ কাষ চাপি অতি নম্ৰতাৰে ক'লে, "হে পৰমাৰাধ্য বাবাসকল! এই তিৰোতাজনীয়ে আপোনাসকলৰপৰা জানিব খুজিছে যে—এওঁৰ গৰ্ভৰপৰা ল'ৰানে ছোৱালীনে কেনেকুৱা সন্তান উপজিব।" আপোনালোক ত্ৰিকালজ্ঞ; দয়া কৰি আমাক কওক।"

মুনিসকল এই মহাদুষ্ট চেঙেলীয়াহঁতৰ ওপৰত অতিপাত কুপিত হ'ল আৰু শাও দি ক'লে, "অৰে মূৰ্খাদপি মূৰ্খহঁত!

ইয়াৰ গৰ্ভৰপৰা এক কুল-নাশক প্ৰচণ্ড মুষল (উৰাল মাৰি) ওলাব।”

ক্ৰুদ্ধ মুনিসৱৰ কথা শুনি গৰখীয়া ল'ৰাইঁত ভয়ত থৰ্থৰিমান হ'ল আৰু সাম্বুৰ কাপোৰ দাঙি দেখিলে যে—তাৰ পেটৰ-পৰা সঁচাসঁচিকৈ মুষল এটা ওলাই আহিব ধৰিছে ! গৰখীয়া ল'ৰাইঁতে এই বিৰাট গধুৰ মুষলটো উলিয়াই আনিলে আৰু ক'লে, “এস্ ! আমি কিমান যে পাপ কৰিলোঁ। এই কথা শুনি আমাক যে কি ক'ব মানুহে !”

আৰু চাওঁতে চাওঁতে মুষল প্ৰসৱ কৰাৰ কথা সকলোতে বায়ুবেগে বিয়পি পৰিল। সকলো যাদৱেই মুষলৰ ভয়ত মন-মৰা হৈ পৰিল। মুনিগণে কেৱল মুষল প্ৰসৱৰ অভিশাপেই দিয়া নাছিল, এই মুষল কুলনাশী হ'ব বুলিও অভিশাপ দিছিল।

ৰজা উগ্ৰসেনে যাদৱসকলক এই মুষল যেনেকৈয়েই নহওক গুড়ি কৰি—একেবাৰে চূৰ্ণ-বিচূৰ্ণ কৰি সাগৰৰ পানীত পেলাই দিবলৈ ক'লে।

যাদৱসকলে ৰজা উগ্ৰসেনৰ পৰামৰ্শ মতে কাম কৰিলে। মুষলটোক চূৰ্ণ-বিচূৰ্ণ কৰি সাগৰৰ পানীত পেলাই দিলে।

কিন্তু সাগৰৰ পানীয়ে ঢৌৱাই আনি সেই মুষল চূৰ্ণ সাগৰৰ পাৰ পোৱালে আৰু তাত মুষলেই মুথাৰ (এবিধ ঘাঁহ)



ৰূপত উপজিল। মুষল গুড়ি কৰাৰ অন্তত মুষলৰ লো-ৰ টুকুৰা এটা কেনেবাকৈ থাকি গৈছিল। এটা বিৰাট মাছে মুষলৰ লো-ৰ সেই টুকুৰাটো গিলি পেলালে। এই মাছ:টা মাছুৰৈ এজনৰ জালত পৰিল আৰু মাছুৰৈ মানুহজনে মাছটোক কটাৰ পাছত লোহাৰ টুকুৰাটো পাই তাৰে ভাল চাই কাঁড় এপাট বনাবলৈ লো-ৰ টুকুৰাটো চিকাৰী এজনক দিলে।

আৰু এইদৰে, যাদৱকুল তথা যদুবংশ ধ্বংস হোৱাৰ সকলো পথ পূৰ্ণ হ'ল।

কিছুদিনৰ অন্তত দ্বাৰকাত বিভিন্ন ধৰণৰ উৎপতীয়া ঘটনা ঘটি থাকিল। তেতিয়া কৃষ্ণই যাদৱসকলক সুধৰ্ম নামৰ সভাগৃহত আক্ৰমণ কৰি অনালে আৰু তেওঁলোকক ক'লে :

"আপোনাসৱে মনপুতি শুনক, দ্বাৰকাত নানা ধৰণৰ উৎপতীয়া ঘটনা ঘটিছে, আৰু এইবোৰ ঘটনা শান্তিনাশকাৰী ঘটনা। আপোনালোকে জানে—যে মুনিগণে যদুবংশ নাশ হোৱাৰ অভিসম্পাত দিলে। গতিকে—আমি আৰু মুহূৰ্তমানো এইখন দ্বাৰকাত থকা উচিত নহয়। আমি আমাৰ নাৰী, শিশু আৰু বৃদ্ধসকলক শংখদ্বাৰলৈ পঠিয়াই দিম, আৰু তাৰ পাছত আমি আটায়েই সৰস্বতী নৈৰ তীৰস্থ প্ৰভাস-তীৰ্থলৈ গুচি যাম। তাত স্নান, উপবাস আৰু দেৱতাসকলৰ পূজা দিম, নৱবস্ত্ৰ, হস্তী, অশ্ব আৰু গৃহ দান কৰিম। এইদৰে—আমাৰ অনিষ্টকৰ আশংকা দূৰীভূত হ'ব আৰু আমাৰ মংগল হ'ব।

যদুবংশৰ সকলো নেতায়েই কৃষ্ণৰ কথা মানি ল'লে আৰু তাৰ পাছত কৃষ্ণৰ কথা মতে নাৰী-শিশু বৃদ্ধ-বৃদ্ধাসকলক নামেৰে সাগৰ পাৰ কৰি প্ৰভাসতীৰ্থলৈ লৈ যোৱা হ'ল।

কিন্তু তাত সকলোকে দেৱমায়াই আগুৰি ধৰিলে। সকলোটি সুৰাপানত মত্ত হৈ উন্মত্ত হৈ উঠিল। এওঁলোক

পৰস্পৰ যুদ্ধলিপ্ত হ'ল। ইজনে সিজনক মাৰি-কিলাই খাস্তাং কৰিলে, ধনু-কাঁড়েৰে পৰস্পৰক বধিলে, দা-কুঠাৰ যাঠি-জোঙেৰে পৰস্পৰক হত্যা কৰি থাকিল। শেহান্তৰত প্ৰকৃততেই এক দুৰ্ঘোৰ যুদ্ধাৱস্থাৰ সৃষ্টি হ'ল। প্ৰদ্যুম্নৰ সৈতে সাম্বুৱে যুদ্ধ কৰিলে, অক্ৰুৰে ভোজ-অৰ বিৰুদ্ধে নাই তই নাই মইকৈ লাগি পৰিল, অনিৰুদ্ধই সাত্যকীক খেকেচিলে, সুভদ্ৰাই সংগ্ৰাম-জিতক, সুমিত্ৰাই সুৰথক বান্ধি কিলালে। আৰু এইদৰে, প্ৰত্যেকেই প্ৰত্যেকৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰি জঁপিয়াই পৰিল, একে অন্যক সংহাৰ কৰি থাকিল, অসংখ্য উষ্ট্ৰ, অশ্ব, হস্তী আদি নিহত হ'ল।

কিন্তু চাওঁতে চাওঁতে এওঁলোকৰ তীৰ কাঁড় যাঠি লাঠিবোৰ নোহোৱা হ'ল। অস্ত্ৰ-শস্ত্ৰ বোলোঁতে একোৱেই নাথাকিল। সাগৰৰ তীৰত বিৰাট ওখ হৈ মুথা নামৰ ঘাঁহ উপজিছিল। যেতিয়া অস্ত্ৰ-শস্ত্ৰ নোহোৱা হ'ল, তেতিয়া এই মুথাকে উৎপাৰি আনি পৰস্পৰে মুথাৰে মাথা ফালিবলৈ ধৰিলে।

কৃষ্ণই এই যুদ্ধৰত সংহাৰমূৰ্তি ধৰা যাদৱহঁতক ৰখাবলৈ চেষ্টা কৰি থাকিল; কিন্তু সেই উন্মত্ত যাদৱহঁতে কৃষ্ণক ঘূৰাই আক্ৰমণহে কৰিলে।

আৰু লগে লগে কৃষ্ণৰ ক্ৰোধ ভমক্কৰে জ্বলি উঠিল। তেওঁ সেই মুথাবোৰকে

উভালি আনি উন্মত্ত একেবাৰে হিতাহিত জ্ঞানশূন্য উন্মত্ত যাদৱইঁতক এফালৰপৰা বধিবলৈ ধৰিলে।

আৰু এইদৰে মুনিগণৰ অভিশাপ ফলিয়ালে। যদুবংশ ধ্বংস হ'ল। কৃষ্ণই চাৰিওফালে চাই নিজক নিজে কোৱাদি ক লে, "ধৰিত্ৰীৰ ভাৰ কমিল।"

বলৰামে সমুদ্ৰতটত উপবেশন কৰি যোগ-সমাধিৰে প্ৰাণ ত্যাগ কৰিলে। এই দৃশ্য অৱলোকন কৰাৰ অন্তত কৃষ্ণই এজোপা গছত সোঁ ভৰি স্থাপন কৰি অন্য এজোপাত বাঁও ভৰি দি বহি থাকিল। বহু দূৰৰপৰা এজন চিকাৰীয়ে এইদৰে বহি থকা কৃষ্ণক দেখা পাই কিবা জন্তু বুলি ভাবি কাঁড়িয়ালে। এই কাঁড় সেই মুষলৰ লো-ৰে নিৰ্মিত হৈছিল।

কাঁড় এৰিয়েই চিকাৰী তালৈ লৰি গ'ল, আৰু তাত কিবা জন্তুৰ সলনি মানুহ এজনক পৰি থকা দেখা পালে। চিকাৰীয়ে কৃষ্ণক ক'লে, "হে মহানুভৱ! মোৰ অপৰাধ হ'ল। মোক ক্ষমা কৰক।"

এই চিকাৰীৰ নাম আছিল জৰ। কৃষ্ণই চিকাৰী জৰক ক'লে, "তুমি চিন্তিত নহ'বা, মই বিচৰামতেই কাম হ'ল।" চিকাৰী জৰক বুজনি দি শান্ত কৰি কৃষ্ণই তাৰপৰা শুভোতাই পঠালে।

ইতিমধ্যে—কৃষ্ণক বিচাৰি ৰথাৰূঢ় দাৰুক সেই ঠাই পালেহি। ৰথৰপৰা অৱতৰণ কৰি দাৰুক কৃষ্ণৰ কাষ চাপিলত কৃষ্ণই দাৰুকক ক'লে, "তুমি দ্বাৰকালৈ গৈ আমাৰ মানুহখিনিক কোৱাগৈ যে—আমাৰ মানুহবোৰ — যিবোৰ ইয়ালৈ আহিছিল—সকলো মৰিল। বলৰামে দেহত্যাগ কৰিলে আৰু মোৰ পৰিস্থিতি দেখিছাই। মোৰ প্ৰাণবায়ু নিৰ্গত হোৱাৰ অন্তত দ্বাৰকাক সমুদ্ৰে বুৰাই পেলাব। মোৰ মা-দেউতাৰে সৈতে সকলোটি ইন্দ্ৰ-প্ৰস্থলৈ গুচি যাওক। তাত অৰ্জুনে সকলোকে আশ্ৰয় দিব।"



দাৰুকে কান্দি কান্দি এই শোচনীয় নিদাৰুণ-নিকৰুণ সমিচাৰ উগ্ৰসেন তথা বাসুদেৱক ক'লেগৈ।

বসুদেৱ-দেৱকীয়ে নিজ পুত্ৰ কৃষ্ণ বলৰামক বিচাৰি চলথ কৰিলে; কিন্তু ক'তো-কেনিও বিচাৰি নাপাই বসুদেৱ-দেৱকীয়েও প্ৰাণত্যাগ কৰিলে।

তাৰ পাছত আৰম্ভ হ'ল সহমৰণৰ পাল। বলৰামৰ পত্নী, কৃষ্ণৰ সকলো পত্নী আৰু তাৰ লগে লগে অসংখ্য যদু-নাৰীয়ে আত্মজাহ দিলে।

আৰু তাৰ পাছত অৰ্জুন আহি পালেহি। অৰ্জুনে সকলোকে প্ৰথমতে অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰাৰ অন্তত সমুদ্ৰৰ জলৰাশিয়ে সমগ্ৰ দ্বাৰকা নগৰী বুৰাই পেলালে। কেৱল — নগৰৰ মন্দিৰ জল-ৰাশিত তল নপৰিল।

অৰ্জুনে—তেতিয়ালৈকো জীয়াই থকা যাদৱ বংশৰ নাৰী-শিশু তথা বৃদ্ধা-বৃদ্ধা-সকলক লগত লৈ গ'ল। ইন্দ্ৰপ্ৰস্থ পাই বজ্ৰৰ ৰাজ্যাভিষেক সমাপন কৰিলে। আৰু তাৰ পাছত সকলো পাণ্ডৱ আৰু দ্ৰৌপদীকো লগত লৈ অৰ্জুনে মহা-প্ৰস্থানৰ পথলৈ যাত্ৰা কৰিলে।

কৃষ্ণৰ নিৰ্বাণৰ কালত তাত ব্ৰহ্মা, ইন্দ্ৰ অন্যান্য দেৱতা, প্ৰজাপতি, সিদ্ধ, বিদ্যাধৰ প্ৰমুখ আহি পালেহি। সমগ্ৰ আকাশ এওঁসৱৰ ৰথেৰে পৰিপূৰ্ণ হৈ পৰিল। ৰথৰ-পৰা কৃষ্ণলৈ পুষ্পবৃষ্টি কৰা হ'ল। কৃষ্ণই দিব্যবিষ্ণু ৰূপ ধাৰণ কৰিলে। দেৱতা-সকলে কৃষ্ণৰ নামত জয়ধ্বনি কৰি উঠিল আৰু বহুতো দেৱতায়েই কৃষ্ণৰ চৰণলৈ প্ৰণাম কৰি চৰণ বন্দিলে। দিব্যবিষ্ণুৰূপ ধাৰণ কৰাৰ অন্তত কৃষ্ণই তেওঁক দৰ্শন কৰিবলৈ অহাসকললৈ নিমীলিত নয়নেৰে অৱলোকন কৰিলে আৰু সত্য, ধৰ্ম, ধৃতিশ্ৰী তথা কীৰ্তিৰে সৈতে অমৰ বৈকুণ্ঠধামলৈ গমন কৰিলে। [অন্ত]





মন্ত্ৰীৰ বুদ্ধি

প্ৰাচীনকালত আৰৱদেশত মুহম্মদ বিন আবুল ৰাশ্বাৰ নামৰ এগৰাকী ছুলতান আছিল। এওঁ লাহ-বিলাহৰ সোঁতত উটিছিল, কিন্তু দেশৰ শাসনৰ বাবে জাগি নুঠিছিল। আৰু তাৰ ফলত দেশৰ অৱস্থা একেবাৰে শোচনীয় হৈ উঠিছিল।

ছুলতানো যেন, তেওঁৰ কৰ্মচাৰীইঁতো তেনহে হৈ আছিল। কৰ্মচাৰীইঁতো হৈ উঠিছিল অকৰ্মণ্য ধান্দাবাজ ধোদৰ পচলা।

ছুলতানৰ মন্ত্ৰী কেইবাজনো। মন্ত্ৰী-সকলৰ মাজতো কিছুমানে—উদক দেখি বোন্দাই ডুবিউৱাৰ দৰে—ছুলতানৰ দৰে সুখ-ভোগত ডুবিলে। বাদবাকী মন্ত্ৰী-সকলে ৰাইজৰ কথাত কিছু চিন্তা-চৰ্চা কৰিছিল, কিন্তু কিবা ক'লে ছুলতানৰ যদি খং উঠে—সেই ভয়তে এওঁলোক চুপচাপ আছিল। মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিবলৈ যাব কোন? ছুলতানৰ কথা কৈ বিপদ চপোৱাৰ দাঁত নাই।

কিন্তু এজন মন্ত্ৰীয়ে অৱশেষত ছুলতানক দেশৰ কথা দশৰ কথা বুজাই ক'বলৈ এক অভিনৱ উপায় ল'লে।

এদিন সিজন মন্ত্ৰী ছুলতানৰ সৈতে আবেলি পৰতে উদ্যানলৈ গ'ল। উদ্যানত ছুলতানে প্ৰতিদিন কিছু সময়ৰ বাবে ঘূৰি ফুৰে। ফুৰি ফুৰাৰ অন্তত ৰাজপ্ৰাসাদলৈ উভতি যাওঁতে হঠাৎ কৰবাৰপৰা ফেঁচাৰ মাত শুনিবলৈ কাণ খিয় কৰি ৰৈ থাকিল।

আচৰিত হৈ ছুলতানে মন্ত্ৰীক সুধিলে, "হেৰা মন্ত্ৰী, কিনো শুনিছা?"

"হুজুৰে আলা! দুটা ফেঁচাই মাত-বোল কৰিছে, সিহঁতৰ কথাখিনি শুনি

আছোঁ।" মন্ত্ৰীয়ে ক'লে।

"হয়নে?" আচৰিত মানি ছুলতানে মন্ত্ৰীক ক'লে, "তুমি ফেঁচাৰ মাত-বোল সঁচাসঁচিকৈ বুজি পোৱানে কি?"

"হয় হুজুৰ, পাওঁ।" এই বুলি কৈ, পুনৰ মন্ত্ৰীয়ে ফেঁচা দুটাৰ মাজত হৈ থকা মাত-বোল এক মনে শুনি থাকিল। তাৰ পাছত মন্ত্ৰীয়ে ছুলতানক পুনৰ ক'লে, "হুজুৰ, মই আৰু ইহঁতৰ মাত বোল কাণেৰে শুনিব নোৱৰা হৈছোঁ। মোৰ কাণত কোনোবাই তপত সীহহে ঢালি দিয়া যেন পাইছোঁ। এতিয়া আমি ইয়াৰপৰা যাওঁ ব'লক।"

"ফেঁচা দুটাইনো কি কথা কৈ আছিল?" ছুলতানে মন্ত্ৰীক সুধিলে।

"হুজুৰ, সেই কথা আপুনি নুশুনাই ভাল। এই মুকখৰোমূৰথ চৰাই দুটাই কি ক'লে-নক'লে তাৰ পৰোৱা — আপুনি নকৰিলেও হ'ব।" মন্ত্ৰীয়ে ক'লে।

"তথাপি মই শুনিম।" ছুলতানেও বজৰলেপৰ দৰে মন্ত্ৰীক ধৰিলে।

"নেৰেই যদি — মইনো আৰু কি কৰিম?" মন্ত্ৰীয়ে ক'লে, "মাইকী ফেঁচা-জনীয়ে মটা ফেঁচাটোৰপৰা তাৰ ছোৱালী জনীক বোৱাৰী হিচাপে নিবলৈ পঞ্চাছখন মানুহ-দুনুহ নথকা নিমাওমাও গাঁও যৌতুক হিচাপে খোজাত মটা ফেঁচাটোৱে কৈছিল যে—পঞ্চাছ নালাগে—পাঁচশখন মানুহ-দুনুহ নথকা নিমাওমাও গাঁও আমাৰ এই ছুলতানৰ ৰাজত্বত সহজেই দিয়া যাব। দেশত ছুলতানৰো শাসন নাই, মানুহ মৰি থকাৰো বাৰণ নাই।"

শুনি ছুলতান গহীন হৈ পৰিল আৰু সেই দিনাৰেপৰাই দেশৰ শাসনকাৰ্য্যত মনপুতি লাগিল।

ছুলতানে এইজন মন্ত্ৰীৰ বুদ্ধিৰ শলাগ লৈ মন্ত্ৰীক তেওঁৰ প্ৰধান মন্ত্ৰীৰ পদত নিযুক্ত কৰিলে।



অভ্যাস

গা ধুবলৈ ৰামভদ্ৰ গা-ধোৱা ঘৰলৈ সোমাল আৰু ভিতৰফালৰপৰা দুৱাৰৰ খিলিডাল লগাই দিলে। গা ধুই, চাপ-চিকুণ হৈ, দুৱাৰ খুলি ওলাই আহিবলৈ খিলিডাল খোলাৰ চেষ্টা কৰিও নোৱৰা হ'ল। এধাৰ দুবাৰ বহুবাৰ বহু সময় ধৰি চেষ্টা কৰাৰ অন্ততো খিলিডাল নোখোলা হ'ল। অৱশেষত হাতুৰিৰে লো-ৰ খিলিডাল কথমপি খুলি ওলাই আহি বিপদৰপৰা ৰক্ষা পোৱা যেন পালে।

তাৰ পাছত ৰামভদ্ৰই তেওঁৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীহঁতক ক'লে, "শুনা, আমাৰ গা-ধোৱা ঘৰটোৰ দুৱাৰৰ খিলিডাল কেনেবাকৈ বেয়া হ'ল। দুৱাৰ বন্ধ কৰোঁতে কোনো দিগদাৰ নাই, খোলোঁতেহে খুলি খায়। মই হাতুৰীডাল গা-ধোৱা ঘৰত নোপোৱাহেঁতেন দুৱাৰ ভাঙিহে মোক উলিয়াবলগা হ'লহেঁতেন। যেয়ে গা-ধুবলৈ সোমাবা, দুৱাৰৰ খিলিডাল নলগাবা। লগালেই বিপদত পৰিবা।"

অভ্যাস এৰি পেলোৱাটো ইমান সহজ নহয়। ইমানকৈ বুজাই কোৱা সত্বেও ৰামভদ্ৰৰ ডাঙৰ ল'ৰাটোৱে গা ধুবলৈ সোমাই খিলিডাল লগাই দিলে আৰু খিলিডাল পুনৰ খোলোঁতে ঘামি-জামি একাকাৰ হ'ল। সি আকৌ এবাৰ গা ধুলে, এইবাৰ দুৱাৰৰ খিলি নলগোৱাকৈ। তেতিয়াৰপৰাহে সকলোটি সাৱধান হ'ল।

এনেতে কৃষ্ণচন্দ্ৰ নামৰ ৰামভদ্ৰৰ কুটুম এজন আহিল। এই দেখাত খীণ-মিন মানুহ, নিশকতীয়া যেন লাগে। কৃষ্ণচন্দ্ৰ একেবাৰে থিয় ৰ'দত ঘামি-জামি লুতুৰি-



পুতুৰি হৈ আহিছিল, আৰু আহিয়েই কোনেও একো ক'বলৈ নৌপাওঁতেই পোনে পোনেই গা-ধোৱা ঘৰলৈ সোমাল।

মুহূৰ্তমানৰ পাছত গা-ধোৱা ঘৰৰ দুৱাৰৰ খিলিডাল লগাই দিয়াৰ ধাম্‌কৈ শব্দ উঠিল।

আৰু এই শব্দ ৰামভদ্ৰৰ বুকুত শক্তিশেলহেন লাগিল। গা ধোৱাৰ পাছত যে দুৱাৰ ভাঙিহে কৃষ্ণচন্দ্ৰক উলিয়াই আনিব লাগিব—সেই কথাত সন্দেহ নাই।

"যা হওক—হাতুৰীটো এতিয়াও গা-ধোৱা ঘৰতে আছে। কথাটো—কৃষ্ণচন্দ্ৰক কৈ দিয়াই ভাল হ'ব।" ৰামভদ্ৰই তেওঁৰ পৰিবাৰক ক'লে।

"খিলিডাল খুলিব নোৱাৰিলে তেওঁ আমাক মাতিবই নহয়—? এতিয়া একো ক'ব নালাগে।" পৰিবাৰে ক'লে।

কৃষ্ণচন্দ্ৰৰ কি হ'ব—সেই কথাত ৰামভদ্ৰয়েই নহয়, গোটেই পৰিয়ালটোৱেই দুশ্চিন্তাগ্ৰস্ত হৈ পৰিল। পৰিয়ালখনৰ আটাইকেউজনেই গা-ধোৱা ঘৰটোৰ পিনে শিলৰ মূৰ্তিৰ দৰে চাই থাকিল। কৃষ্ণচন্দ্ৰই কি কৰিছেনো ইমান সময় ধৰি? গা ধোওঁতে কি বা গতি লাগিল? এনেবোৰ কথা গুণা-গঁথা কৰি থাকোঁতেই খিলিডাল খুলি কৃষ্ণচন্দ্ৰৰ গা-ধোৱা ঘৰৰ-পৰা ধীৰে-সুস্থিৰে ওলাই আহিল।

পৰিয়ালৰ আটাইকেউজনেই কৃষ্ণচন্দ্ৰৰ পিনে বিস্ময়ভৰা চাৱনিৰে চালে। এই ঘটনালৈ লক্ষ্য কৰি কৃষ্ণচন্দ্ৰই সুধিলে, "কথানো কি? মোৰ পিনে তেনেকৈ কিয় চাইছা, কি দেখিছানো?"

"এ—নহয়, সিমান ডাঙৰ কথা একো নহয়। গা-ধোৱাত কোনো অসুবিধা পোৱা নাই নহয়?" ৰামভদ্ৰই সসংকোচে কৃষ্ণচন্দ্ৰক সুধিলে।

"মানুহে সোধে—আহোঁতে বা যাওঁতে কিবা কষ্ট হ'লনে কি, আৰু তুমি সুধিছা গা-ধোৱাত কিবা কষ্ট হ'লনে কি। গা

ধোৱাৰ কথাত ইমান ধোৱা-বছাৰ কাৰণনো কি?” কৃষ্ণচন্দ্ৰই আচৰিত হৈ সুধিলে।

এই কথাৰ উত্তৰ পট্‌কৈ নিদিয়াকৈ ৰামভদ্ৰ মনে মনে থাকিল। ৰামভদ্ৰই ভাবিলে যে—গা-ধোৱা ঘৰৰ খিলিডাল নিশ্চয় কেনেবাকৈ ঠিক হৈ গ'ল।

ৰাতিৰ পৰত ৰামভদ্ৰ গা ধবলৈ সোমাল আৰু দুৱাৰৰ খিলিডাল লগাই দিলে। কিন্তু গা ধুই ওলাওঁতে পুনৰ সেই আই ধৰ্‌, বাই ধৰ্‌ লাগিল। ৰামভদ্ৰই হাতুৰীৰে খিলিত কাৰৰ পাছত কোব মাৰিবলৈ ধৰিলে।

কৃষ্ণচন্দ্ৰই কলে, “হেৰা ৰামভদ্ৰ, কিখন লংকাকাণ্ড কৰিছাহে? এই শব্দ কিহৰ? তুমি ভিতৰত কি কৰি আছা?”

বহু সময়ৰ অন্তত বহু কষ্টেৰে ৰামভদ্ৰ গা-ধোৱা ঘৰৰপৰা ওলাই আহিল, আৰু প্ৰথমৰেপৰা সকলো ঘটনা কৃষ্ণচন্দ্ৰক ক'লে আৰু তাৰ পাছত কৃষ্ণচন্দ্ৰক সুধিলে, “পিছে—তুমি এইকেইদিন বাৰে বাৰে কেনেকৈনো গা ধুবলৈ ওলোৱা-সোমোৱা কৰিছা? তুমি দেখোন একেবাৰে কষ্ট নকৰাকৈয়েই গা-ধোৱা ঘৰৰ দুৱাৰৰ খিলি খুলিব পাৰিছা! কথানো কি?”

কৃষ্ণচন্দ্ৰই মিচিকীয়াই হাঁহি মাৰি ক'লে, “আমাৰ গা-ধোৱা ঘৰৰ দুৱাৰৰ খিলিডালৰ অৱস্থাও তেনেকুৱাই। আমাৰ খিলিডাল অৱশ্যে—খুলিবও পাৰি বন্ধও কৰিব পাৰি, কিন্তু প্ৰচুৰ শক্তিৰেহে পাৰি। দেখিছাই মই খীণ-মিন মানুহ। গতিকে—মই খিলি কদাপি নলগাওঁ, লগোৱাৰ শব্দহে এটা কৰোঁ। সকলোৱে ভাবে—খিলি লগোৱা হ'ল। বছ, কথা ইমানেই। মানুহ হ'ল অভ্যাসৰ দাস। কিবা এটা কৰিলেই হ'ল অভ্যাস।”

ৰামভদ্ৰই খিলিৰ খিলিংকাৰৰপৰা ৰেহাই পোৱাৰ উপায় এটা পাই সকাহ পোৱা যেন হ'ল।



দুখীয়াৰো দাম আছে

কোনোবা এখন গাঁৱত এহাল হালোৱা দম্পতি আছিল। এইহাল হালোৱা দম্পতি আছিল ধাৰ্মিক মনোভাৱাপন্ন; কিন্তু নিচেই নিছলা। ভাত বা ৰুটিৰ কথা বাদেই, প্ৰতি সাজ খোৱাৰ জোখাৰে কিবাকিবি যোগাৰ কৰি অনাটোও আছিল হালোৱাৰ সাধ্যৰ বাহিৰ। প্ৰায়বোৰ দিনতে ঘোল বনাই পি-খাইহে দিন যাপন কৰিছিল। কাচিৎ-কেতিয়াবা ভাত-ৰুটি।

কিন্তু নিজৰ অৱস্থা যিয়েই নওহক— হালোৱাৰ ঘৰলৈ কোনোবা-কুনুবি আহিলে কিবা নহয় কিবা খুৱাইহে এৰিব। আন একো নুখুৱালেও ঘোলকে খুৱাব।

এদিন সিহঁতৰ যেতিয়া ঘোল খাবলৈ বহিল, ঠিক তেতিয়াই ভিখাৰী এজন আহিল। ঘৰত ঘোলও সৰহ নাছিল। হালোৱাই তাৰ নিজৰ ভাগৰ ঘোলখিনিৰ আধামান ভিখাৰীক খাবলৈ দিলে। হাড়ে-ছালে লগা ভিখাৰীয়ে ঘোলকে অমৃতৰ দৰে পি-খালে আৰু হালোৱাক ক'লে, "তোমা-লোক প্ৰকৃততেই পুণ্যাত্মা, যিটো পাত্ৰত ঘোল বনাইছিলা, মোৰ হাতত দিয়া। মই সেই পাত্ৰটোক অক্ষয় পাত্ৰ বনাই দিম, তোমালোকৰ অভাৱ নাথাকিব।"

হালোৱানীয়ে ঘোল বনোৱা মাটিৰ পাত্ৰটো আনি দিলে ভিখাৰীক। ভিখাৰীয়ে পাত্ৰটোৰ ওপৰত সোঁহাতখন থাপি কিবা-কিবি মন্ত্ৰ মাতিলে, আৰু ক'লে, "আজিৰে-পৰা তোমালোকে দুয়ো সাজ ৰজাৰ ঘৰৰ খোৱাবস্তু যিমান লাগে সিমানেই পাবা।" এই বুলি কৈ, ভিখাৰী তাৰপৰা গুচি গ'ল।

এতিয়া আৰু হালোৱা দম্পতিৰ আৰু

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ল'ৰা-ছোৱালীহঁতৰ খোৱা-বোৱাৰ চিন্তা নোহোৱা হ'ল। আগৰ দৰে 'দিন ভিক্ষা —প্ৰাণ ৰক্ষা'ৰ দিন উকলিল। এতিয়া— আলহী-অতিথি যিমানেই নাহক, চিন্তা কৰিবলগীয়া নাই, পাত্ৰটোক খোৱাবস্তু খুজিলেই হ'ল। মাত্ৰ আলহীসকলক হালোৱাই এই কথাটো কোৱা হ'লঃ "ভাঙৰীয়া যিমান পাৰে বা লাগে খাব, কিন্তু এই খোৱাবস্তু ক'ৰপৰা কেনেকৈ পাইছোঁ, এই প্ৰশ্ন কদাপি নকৰিব।"

লাহে লাহে এই কথাটো সকলোতে বিয়পি পৰিল যে 'হালোৱা দুখীয়া কিন্তু তাৰ খোৱাবস্তু ৰজাঘৰীয়া'।

আৰু আৰু আন এটা ঘটনাও ঘটিল। ৰজাৰ ৰান্ধনীয়ে যিমানেই নাৰান্ধক, ৰন্ধা বস্তুখিনি ক্ৰমাত কমি গৈ থাকিল। কথাটো ৰজাই মন্ত্ৰীক ক'লে। আৰু মহামন্ত্ৰীয়ে নিজেই অনুসন্ধান কৰি জানিব পাৰিলে যে—কথাটো মিছা নহয়, সঁচেকাটে সঁচা।

ৰজাঘৰীয়া কথা কেতিয়াও সদৰি নহৈ নাথাকে। গতিকে—কথাটো অতি দ্ৰুতগতিৰে সকলোতে বিয়পি পৰিল।

মহামন্ত্ৰীয়ে কেইদিনমানৰ পাছত ৰজাক ক'লে, "মহাৰাজ, মই সেই হালোৱাৰ ঘৰৰ খা-খবৰ নোলোৱাকৈ থকা নাই, লৈছোঁ। এটা প্ৰায় জহা-খহা জুপুৰিত সিহঁত থাকে, অত্যন্ত দুখীয়া। কিন্তু— প্ৰজাৰ বিশ্বাস যে এই হালোৱা কোনোবা ছদ্মবেশী দেৱতাহে হ'ব। কথাটো বাস্তৱিকেই অতি ৰহস্যজনক। আৰু— সি হালোৱাই যে আমাৰ ৰাজপ্ৰাসাদৰ ৰান্ধনীশালৰপৰা প্ৰতিদিন-প্ৰতিসাজ খোৱাবস্তু চুৰ কৰি লৈ যায়হি — সেই কথাটো একেবাৰেই অসম্ভৱ। আৰু সি যদি ইমানেই অঘাইত চোৰ এটা, খোৱা-বস্তু চুৰি কৰিব কিয়? কিয় সি ধন-সোণ হীৰা-জহৰত চুৰি নকৰিব? এই-বোৰ চুৰি কৰিলে দেখোন সি আয়মতে জীৱন কটাব পাৰে, বহি খোৱা ফুকন

বোলাব পাৰে। আৰু—প্ৰতিদিন ৰাজ-প্ৰাসাদলৈ সোমোৱাটোও — ইমানবোৰ পৰীয়াৰ চকুত বালি মাৰি—অসম্ভৱ।

“এটা কাম কৰা যাওক তেন্তে—।” মহাৰাজে কৈ উঠিল, “আমি দুয়ো ছদ্মবেশ ধাৰণ কৰি হালোৰাৰ ঘৰলৈ গৈ এসাজ খাই কথাটোৰ বুজলৈ আহোঁগৈ ব'লক।”

মন্ত্ৰী-মান্তি হ'ল। পাছ দিন ৰজা আৰু মন্ত্ৰী ছদ্মবেশ লৈ ওলাল। হালোৰা আৰু হালোৰানী ল'ৰা-ছোৱালীৰে সৈতে যেতিয়া খাবলৈ বহিছিলহে মাত্ৰ, তেতিয়াই ৰজা আৰু মন্ত্ৰী হালোৰাৰ ঘৰ পালেগৈ। ছদ্মবেশী মহামন্ত্ৰীয়ে হালোৰাক ক'লে, “ভাই, আমি চুবুৰীয়া গাঁৱৰপৰা আহিছোঁ। এই সাজ — যি হয় — ভোক গুচাবৰ জোখাৰে কিবা পামনে?”

হালোৰাই দুয়োকো আথেবেথে বহুৱালে আৰু আহাৰৰ বন্দবস্ত কৰাৰ বাবে হালোৰানীক বুজাই কোৱাৰ অন্তত ছদ্মবেশী মন্ত্ৰীক আৰু ৰজাক ক'লে, “আমি যি খাবলৈ দিম, খাব; কিন্তু আমাক কোনো প্ৰশ্ন নকৰিব, এয়ে অনুৰোধ।”

ছদ্মবেশী ৰজা আৰু মন্ত্ৰীৰ আগত থৰে-বিথৰে বিভিন্ন খাদ্যবস্তু সজাই দিয়া হ'ল। এইবোৰ খাদ্য যে ৰাজপ্ৰসাদৰ ৰান্ধনীশালৰ খাদ্য — সেই কথাত ৰজাৰ বা মন্ত্ৰীৰো সন্দেহ নাথাকিল। ৰজাই তাক সুধিলে, “ডাঙৰ ডাঙৰ ধনী মানুহৰ পৰিয়ালতো যি খোৱাবস্তু অমিল, তোমাৰ নিচিনা দুখীয়া হালোৰাৰ ঘৰতনো কেনেকৈ মিলিছে?”

“এই কথা নুসুধিব।” হালোৰাই ক'লে।

“এই কথাৰ উত্তৰ নোপোৱালৈকে আমি তোমাৰ ঘৰত আহাৰ গ্ৰহণ নকৰোঁ।” ৰজাই ক'লে।

তেতিয়া—দুপৰীয়াৰ আলহী নোখোৱাকৈ গুচি গ'লে অপায়-অমংগল হ'ব—এই ধাৰণাৰ বশৱৰ্তী হৈ হালোৰাই সকলো বৃত্তান্ত ছদ্মবেশী ৰজাক কৈ দিলে।

শুনি ৰজাই খণতে একো নাই হৈ



হালোৰাৰ সেই মাটিৰ পাত্ৰটো তেওঁৰ হাতত থকা লাখুটি ডালেৰে কোবাই টুকুৰা-টুকুৰ কৰি পেলালে আৰু তাৰপৰা তৎক্ষণাৎ মহামন্ত্ৰীৰে সৈতে খোজ ল'লে।

হালোৰানীয়ে মাটিৰ পাত্ৰৰ ভগা টুকুৰাবোৰ গোটাই লৈ কান্দিবলৈ ধৰিলে। হালোৰাই হালোৰানীক ক'লে, "আৰু নাকান্দিবা, চুপ হৈ থকা। আমাৰনো কি ইমান অনিষ্ট হ'ল? কিছুদিনলৈ ৰজা-ঘৰীয়া খাদ্যআমাৰ কপালত আছিল—খাইছোঁ। এতিয়া আকৌ আগৰদৰে ঘোলকে খাই থাকিম। আমাৰ সেইখিনি কোনেও কাঢ়ি নলয় নহয়?"

ইপিনে—ৰজাই যেতিয়া ৰাজপ্ৰাসাদ পালেগৈ, তেতিয়া দুপৰীয়াৰ আহাৰৰ সময় হৈছিল। তেওঁ স্নানাদি সমাপন কৰি ভোজন-কক্ষলৈ গ'ল আৰু তাতে এই কথা শুনি অতিপাত অবাক হ'ল যে ৰাজপ্ৰাসাদৰ ৰান্ধনিশালত ৰান্ধি থোৱা খাদ্যবস্তু উধাও হৈছে।

ৰান্ধনিয়ে ক'লে যে— খাদ্যপাত্ৰত যিমানেই খাদ্য ভৰাই থয়, সিমানেই পলকতে উধাও হৈ যায়। কেনেকৈ কিয় কি হয় বা হৈছে—সেই কথা সি একেবাৰেই বুজিব পৰা নাই।

আৰু—দিনৰ পাছত দিন ধৰি এই ঘটনা চলি থাকিল, খাদ্যবস্তু উধাও হৈ থাকিল, ৰাজপৰিয়ালত হাহাকাৰ উঠিল, খাবলৈ নাপাই ৰজাঘৰীয়াই দিহিঙে-দিপাঙে পলাই গৈ থাকিল।

হালোৰাৰ মাটিৰ পাত্ৰটো টুকুৰা-টুকুৰ কৰাতহে যে এনে অথন্তৰীয়া অৱস্থা হ'ল, ৰজাৰ বুজিবলৈ বাকী নাথাকিল। তেওঁ আৰু কালক্ষেপ নকৰি মহামন্ত্ৰীক লগত লৈ সেই হালোৰাৰ ঘৰলৈ গৈ হালোৰাৰ আগত আঁঠু লৈ ক'লে, "মই ক্ৰোধান্বিত হৈ নকৰিবলগীয়া কাম কৰি পেলালোঁ, তুমি মোক ক্ষমা কৰা। মই তোমাৰ মাটিৰ পাত্ৰ ভাঙি পেলালোঁ, তাৰ পৰিবৰ্তে

তোমাক মই এশ পুৰা মাটি দিম। আৰু— আমাৰ ৰাজপ্ৰাসাদৰ ৰান্ধনীশালৰ ৰন্ধাবস্তু প্ৰতিদিন তোমাক যিমান লাগে সিমান যেতিয়াই লাগে তেতিয়াই পঠাই দিম। আমাৰ ৰাজ-পৰিয়ালখনক তুমি অভিশাপ দি খাবলৈ নিদিয়াকৈ শুকাই মাৰিলে তোমাৰ লাভ কিবা হ'ব জানো? আমাক দয়া কৰা, আমাকো বাঁচিবলৈ দিয়া।" ৰজাই চুলি ছিঙি কাতৰ কৰিলে।

হালোৱাই ৰজাৰ কথা শুনি দমি গৈ ক'লে, "মহাৰাজ, মই আপোনালৈ কোনো শাপ-শাপন্ত কৰা নাই। মাটিৰ পাত্ৰটো ভঙাৰ কাৰণে আমাৰ হালোৱানীয়ে কান্দি আছিল সঁচা, কিন্তু তাৰ বাহিৰে আমি অ:ৰু একোৱেই কৰা নাই। আৰু—মোক আপুনি অবাবতে জগৰীয়া কৰিছে মহাৰাজ! মোৰ কোনো ধৰণৰ দৈৱী বা অলৌকিক ক্ষমতাও নাই। গতিকে—মোৰ ওচৰত আপুনি যে কিয় ক্ষমা প্ৰাৰ্থনা কৰিছে— আপুনিহে ক'ব পাৰিব। মই জনাত— মোক এই মাটিৰ পাত্ৰটো মন্ত্ৰঃপূত কৰি দিয়া সেই ভিখাৰী-ৰূপী দেৱতাজনেহে আপোনাক ক্ষমা কৰিব পাৰিব।"

তাৰ পাছত ৰজা আৰু মহামন্ত্ৰী পুনৰ ৰাজধানীলৈ উভতি গ'ল। ৰাজপ্ৰাসাদলৈ গৈ এটি আনন্দজনক সংবাদ পালে ৰজাই। সংবাদটি হ'ল—ৰান্ধনীশালৰপৰা ৰন্ধা বস্তু আৰু নোহোৱা হোৱা নাই

এই সংবাদ পাই—ৰাজপ্ৰাসাদ এৰি পলাই যোৱাসকল পুনৰ উভতি আহিল আৰু আগৰ দৰে নিশ্চিন্ত জীৱন যাপন কৰিবলৈ ধৰিলে।

ৰজাই তেওঁৰ প্ৰতিশ্ৰুতি আখৰে আখৰে ৰক্ষা কৰিছিল। তেওঁ হালোৱাক মাটি এশ পুৰা দিছিল, আৰু ৰজাঘৰীয়া খোৱা-বস্তুৰো প্ৰতিদিন যোগান ধৰিছিল। ৰজাই যথেষ্ট মূল্য দি বুজি পাইছিল যে দুখীয়াৰো কিঞ্চিত দাম আছে।



প্ৰচণ্ডতম ধুমুহা

সমুদ্ৰস্তৰৰ ৬২৬২ ফুট (১৮৮৮.৬ মিটাৰ) ওপৰত অৱস্থিত আমেৰিকাৰ মাউণ্ট ওৱাশ্বিংটন মানমন্দিৰৰ মতে 'পৃথিৱীৰ প্ৰচণ্ডতম ধুমুহা' ১৯৩৪ চনত তেওঁলোকে ৰেকৰ্ড কৰিছিল। এই ধুমুহাৰ গতি আছিল ঘণ্টাত ২৩১ মাইল (৩৭১ কিঃ)।

হাতী-পোক

দক্ষিণ আফ্ৰিকাৰ হাতী-পোক অৰ্থাৎ বিৰাটাকৃতি গুবৰুৱা দীঘলে ছয় ইঞ্চি হয়। কিন্তু এই দৈৰ্ঘ্যৰ আধামানেই হ'ল চুডাল জোঙা শিং। এই শিং মাইকী গুবৰুৱাক আকৰ্ষণ কৰাৰ কামত ব্যৱহাৰ কৰে বুলি কোৱা হয়।

সুদূৰ দক্ষিণত অৰ্থাৎ দক্ষিণমেৰুৰপৰা ২৬৪ মাইল নিলগত জীৱনৰ জীৱন্ত প্ৰমাণ হ'ল তাৰ শিলাময় পাহাৰৰ গাত বগোৱা এবিধ ফুলবিহীন সজীৱ লতা!

দক্ষিণ-দুবাৰ



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ এপ্ৰিল মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI
MADRAS—600 026.

১৯৯০ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : চাটিফুটি দ্বিতীয় ফটো : ম'হৰ খুটি

পুৰস্কাৰ প্ৰাপক : ৰূপা ভাগৰতী, ভাগৰতী প্ৰেছ, মাৰ্ঘাৰিটা, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA

Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. 81.00 By Air mail Rs. 156.00

FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. 87.00 By Air mail Rs. 156.00

Send your remittance by Demand Draft or Money Order favouring
'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

What makes Junior Quest every child's best friend?
It's crammed with answers.
It's a challenge to do-it-yourself.
It's an invitation to contests.
It's an exciting pull-out in each issue.
JUNIOR QUEST
Where finding out is fun
PRICE Rs.5/-
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies, Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A new monthly English children's magazine
A Chandamama Vijaya Combines publication

লোভনীয় আমক ফ্রুট বাৰ কৰা হ'ল
সজীৱতা অক্ষুণ্ণ থকাকৈ পেক কৰা
nutrine
Naturo
MANGO FRUIT BAR
nutrine
Naturo
MANGO FRUIT BAR
এতিয়া, আমৰ বতৰ বছৰটোত বাৰ মাহেই।
ইমান সুবিধা...ইমান সোৱাদ!
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/8880/Ass